চান্দমামা

ডিছেমবাৰ ১৯৯১



Cuddles always say "I love you."

Show your little ones how much you love them! And is there a better way of doing that than giving them a huggable, cuddlable playmate?

Cuddles. From the people who have given children the delightful entertainer of a magazine, Chandamama. Cuddles. A whole new range of stuffed toys. And, your old favourites. And, cute surprises being introduced regularly. Each one a sweet, adorable companion to your child. Absolutely safe. Designed to withstand childhandling.

Well, the fun and excitement of the festive season is just round the corner. Make it memorable for your child with a special gesture. With a Cuddle.



- CUDDLES — Stuffed toys from Chandamama.
- SAMMO — Mechanical and electronic toys from Chandamama

CUDDLES

Manufactured in technical collaboration with Sammo Corporation, South Korea.

CHANDAMAMA TOYTRONIX

Chandamama Toytronix Private Limited, Chandamama Buildings, Vadapalani, Madras - 600 026

from

THE HOUSE OF

CHANDAMAMA

Mudra M CTPL 4274

CUDDLES AND SAMMO TOYS WILL BE AVAILABLE AT ALL LEADING TOY OUTLETS EXCEPT IN THE STATES OF ASSAM, HIMACHAL PRADESH, MADHYA PRADESH AND NORTH EASTERN STATES



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

চান্দমামা

*

ডিচেম্বৰ ১৯৯১

এই * আছে
সংখ্যাত

*

বৰদিনৰ বাণীৰ তাৎপৰ্য্য	:	৭	অভিষেকৰ অভিষেক	:	৩৪
পৃথিৱীৰ খিৰিকীৰে	:	৯	জাহিৰতে জহৰ	:	৩৭
গা-খোৰা খোৰা	:	১১	পুণ্যফল কাৰ	:	৪২
অপূৰ্ব-কাহিনী	:	১৭	বীৰ হনুমান	:	৪৫
অধিকাৰৰ অধিকাৰী	:	২৫	বুদ্ধি	:	৫৩
চালি	:	৩১	বালি	:	৫৭
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩	বেজালিৰ শিপা	:	৬৩

*

CITY MUSIC CO., PTE LTD.
Singapore Tel: 3377058, 3377545

ONFLO MUSIC CO., LTD.
Hong Kong Tel: 722 4195

RAINBOW PHOTO FINISHERS PTE LTD.
Nepal, Kathmandu Tel: 221724

GENERAL ENTERPRISES COMPANY
U.A.E., Dubai Tel: 224131/2/3

MAHMOOD SALEH ABBAR CO.
Saudi Arabia, Jeddah Tel: (02)6473995

ARABIAN CAR MARKETING CO.,LTD.
Oman Tel: 793741

CASIO COMPUTER CO., LTD.
Tokyo, Japan.

M-9111 RAPCI AS

Ekco®

মাৰ্কাৰ

"২৪" টাৰ পেকত

নতুন! অনন্য সুন্দৰ! উজ্জ্বল জীৱন্ত ৰঙত!

লাখ লাখ মাৰ্কাৰ চেট ইউ. এচ. এ'লৈ ৰপ্তানি কৰা হৈছে।

"১২" টাৰ পেকতো পোৱা যায়।

ভাৰতৰ সৰ্ববৃহৎ নিৰ্মাতা আৰু ৰপ্তানিকাৰক।

প্ৰিচিশ্যন ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ ১২, সভাষ ৰোড, ভিলে পাৰ্লে (প:), বম্বে ৪০০ ০৫৭।

SureShot/336/Ass.

চান্দমামা

সংস্থাপক : চক্র পা ণি   সঞ্চালক : বি. নাগিৰেড্ডি

বৰদিনৰ বাণীৰ তাৎপৰ্য্য

বন্ধুতা আৰু ক্ষমা—এয়া আছিল সম্প্ৰতি নতুন দিল্লীত অনুষ্ঠিত এখন সন্মিলনৰ মূল বক্তব্য। কেনে অনুপম চিন্তাধাৰা! প্ৰকৃতাৰ্থত এই মূল বক্তব্য হ'ল বিশ্ব-ভ্ৰাতৃত্ব তথা বিশ্বশান্তিৰ দ্যোতক।

প্ৰকৃতপক্ষে এই পৃথিৱীত কোনেও বিচ্ছিন্ন হৈ বাস কৰিব নোৱাৰে। প্ৰত্যেকেই মানুহৰ সমাজ এখনত বাস কৰিব লাগে আৰু বন্ধুতাৰ ভিত্তিতেহে বাস কৰিব লাগে।

বন্ধুসকলে নিশ্চয় পৰস্পৰৰ ক্ষতিসাধন নকৰিব। যদিহে তেনে কাৰ্য্য কৰে, নিশ্চয় ক্ষমাপ্ৰাৰ্থনা কৰিব আৰু ক্ষমা প্ৰাপ্তও হ'ব। 'মানুহেই ভুল কৰে, ক্ষমা হ'ল স্বৰ্গীয়'—এই প্ৰবচনষাৰ সত্য।

ক্ষমাৰ অন্য নাম হ'ল সহনশীলতা। 'তোমাৰ ইখন গালত যদি কোনোবাই আঘাত কৰে, সিখন গালও পাতি দিয়া' (মথি)—বাইবলৰ এই উক্তিতকৈ মহান ক্ষমাসুন্দৰ উক্তি আৰুনো কি হ'ব পাৰে?

নতুন দিল্লীত অনুষ্ঠিত সন্মিলনত আমাৰ প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত কৈছে যে—অহিংসা আৰু ক্ষমাৰ দৃষ্টিকোণ সৰ্বত্ৰ প্ৰসাৰিত হ'ব লাগে। কেৱল ব্যক্তিৰ ক্ষেত্ৰতে নহয়, দেশৰপৰা দেশলৈ, জাতিৰপৰা জাতিলৈকো এই ক্ষমাসুন্দৰ দৃষ্টিভংগী প্ৰসাৰিত হ'ব লাগে—এয়ে হ'ব লাগে বৰদিনৰ বাণীৰ সক্ৰিয় তাৎপৰ্য্য।

বছৰ : ১৬   ডিছেম্বৰ ১৯৯১   সংখ্যা : ৯

খনে : ৪·০০ টকা :: বছৰেকীয়া বৰঙণি : ৪৮·০০ টকা

ল'ৰালিৰ ৰং ধেমালি
মজাই মজা
স্কুলত যে স্ফূৰ্ত্তি কিমান,
নতুন ফেভিক্ৰীল
ষ্টুডেন্ট্‌চ পষ্টাৰ কালাৰ্চ
লগাবলৈ যে সহজ ইমান!
চোৱানা, দেখাত ক্ৰীমৰ দৰে
ৰং-বিৰঙী তিৰবিৰোৱা,
পাত সেউজীয়া, সেন্দুৰ ৰঙা,
আকাশী নীলা,
লগতে আছে গাখীৰ বগা !!
ড্ৰয়িং এটা দিয়া আঁকি,
ফটাফট দিয়া ৰং সানি,
নতুন ফেভিক্ৰীল ষ্টুডেন্ট্‌চ
পষ্টাৰ কালাৰ্চে
কিমান যে দিয়ে মজা আনি !
বিনামূল্যে
পেইন্ট-এ-পষ্টাৰ
ইয়ালৈ লিখক : ফেভিক্ৰীল, পোষ্ট বক্স 17437,
আন্ধেৰী (ইষ্ট), বম্বে ৪০০ ০৫৯।
নতুন
পিডিলাইট
ফেভিক্ৰীল®
ষ্টুডেন্ট্‌চ পষ্টাৰ কালাৰ্চ
STUDENTS' POSTER COLOURS
Fevicryl
everest/91/PIL/117
নাম:
বয়স:
ঠিকনা:
স্কুল:
CDM

শান্তিৰ সেন্দুৰীয়া আলিলৈ



কশ্ দেশ আৰু আমেৰিকা। দুখন শক্তিশালী দেশ। দুয়োখন দেশৰ অস্ত্ৰাগাৰত আছে পাৰমাণৱিক অস্ত্ৰশস্ত্ৰ—যি অস্ত্ৰশস্ত্ৰ অতি ভয়ংকৰ তথা বিশ্বব্যাপী অশান্তিৰ উৎস। সম্প্ৰতি এই দুয়োখন দেশেই মাৰণাস্ত্ৰ হ্ৰাস কৰাত সন্মত হৈছে। এওঁলোকে ষ্ট্ৰ্যাটেজিক আৰ্মছ ৰিডাকশ্বন ট্ৰিটি (স্টাৰ্ট) নামৰ চুক্তিপত্ৰত স্বাক্ষৰ কৰিলে যোৱা ৩১ জুলাই দিনা. যি চুক্তিৰ বলত বিশ্ব এই পাৰমাণৱিক ভয়াবহতাৰপৰা কথঞ্চিত ৰেহাই পাব বুলি অনুমিত।

প্ৰেজিডেণ্ট বুশ্ আৰু প্ৰেজিডেণ্ট গৰবাচভ — এই দুগৰাকীয়েই আলাপ-আলোচনাক্ৰমে বিগত প্ৰায় পঞ্চাছ বছৰ ধৰি দুয়োখন দেশৰ মাজত থকা অবিশ্বাসৰ পাহাৰ খহাব পৰা হৈছে আৰু তাৰেই ফলশ্ৰুতি হ'ল এই চুক্তি।

এই দুয়োখন দেশে প্ৰতিযোগিতামূলকভাবে পাৰমাণৱিক অস্ত্ৰ দ'মাই থকালৈ লক্ষ্য কৰি বিশ্বৰ বহু দেশেই আবেদন জনাইছিল এই বিপদজনক প্ৰতিযোগিতা বন্ধ কৰিবলৈ। আৰু তেতিয়া

১৯৮২ চনৰপৰা এই বিষয়ে আলাপ-আলোচনা আৰম্ভ হৈছিল দুয়োখন দেশৰ মাজত। এই নিৰৱচ্ছিন্ন আলাপ-আলোচনাৰ ফল স্টার্ট চুক্তি, আৰু স্টার্ট চুক্তিৰ ফল হ'ল শতকৰা ৩০ ভাগ পাৰমাণৱিক অস্ত্ৰ হ্ৰাস। এই হ্ৰাসৰ পৰিমাণ ছোভিয়েত ৰুশ্ দেশৰ কাৰণে হ'ল ৩৫ ভাগ আৰু আমেৰিকাৰ ২৫ ভাগ।

নিৰাপত্তা-বিশেষজ্ঞসকলৰ বক্তব্য আছিল যে—শত্ৰুক সেও কৰিবলৈ ৪০০ মান ওৱাৰহেডেই যথেষ্ট। এই চুক্তিৰ ফলত দুয়োখন দেশেই ১৬০০ কৈ পৰমাণু অস্ত্ৰ-পৰিবহন-বহন ৰাখিব পাৰিব।

এই 'স্টার্ট চুক্তি' ১৫ বছৰলৈ বলবৎ থাকিব আৰু প্ৰতি পাঁচ বছৰৰ বাদে বাদে পুনৰ্নৱীকৃত হ'ব পাৰিব। এই চুক্তিৰ বলত দুয়োখন দেশেই পৰস্পৰৰ পাৰমাণৱিক অস্ত্ৰ-ভাণ্ডাৰ পৰীক্ষা কৰিব পাৰিব, প্ৰকৃতপক্ষে অস্ত্ৰ-শস্ত্ৰ হ্ৰাস কৰা হৈছেনে নাই তাৰ পৰিষ্কাৰ প্ৰমাণ ল'ব পাৰিব।

এইবোৰ চাই-চিন্তি আমি এই কথা ভাবি আশান্বিত বোধ কৰিব পাৰোঁনে যে— বৰ্তমান বিশ্ব প্ৰকৃততেই শান্তিৰ সেন্দূৰীয়া আলিলৈ আগবাঢ়িছে?



গা-খোৱা খোবা

ললিতপুৰ নামৰ গাঁৱৰ পুথুৰীপৰীয়া বৰগছজোপাৰ বয়স যে কিমান কোনেও ক'ব নোৱাৰে। পিছে—এশ বছৰৰ কম নহ'ব। এনিশা এই বৰগছজোপাৰ ডাল-পাতবোৰ হঠাৎ—ধুমুহা নাই বতাহ নাই—ভুঁইকঁপে জোকৰা দি জোকাৰ খাই উঠিল। কথা কি—? কথা হ'ল যে—সেই সদিয়াৰো সিপাৰৰ পাহাৰৰ মাজত থকা অদাত্য নামৰ খোবা—মানে গছোৱা ভূত এটাই এইজোপা বৰগছতে বাহ ল'লেহি। এই খোবাটো—অৰ্থাৎ ভূতটো আছিল কিছু ৰঙীয়ালবিধৰ ভূত। কিন্তু সি খোবাই মানুহক নানান ধৰণে লটি-ঘটি কৰিহে ৰং চাইছিল, মজা মাৰিছিল।

এদিন নৰাম আৰু হাৰাম নামৰ দুটি গঞাই এইজোপা বৰৰ তলত বহি কথা পাতি আছিল। নৰামৰ মূৰত আছিল দীঘলীয়া টিকনি। চাই অদাত্য ভূতৰ গাত চেৰচেৰনি উঠিল। সি খাখৰু খোবাই আৰু ৰ'ব নোৱাৰি নৰামৰ টিকনিত ধৰি মাৰিলে এটি মৰ-টান।

নৰামে বেবুৰা লাগি হাৰামলৈ চালে আৰু দাঁত কৰচি ক'লে, "ঐ হাৰাম! হাৰামী কৰিছ! মোৰ টিকনিত ধৰি টানিছ কেলেই অ'? চাবি মজা—? এই বুলি কৈয়েই নৰামে হাৰামীৰো হাৰামী হাৰামক কাণটলীয়া এপাট শোধালে।

হাৰামে হাউংকৰে হাউৰি মাৰি উঠি ক'লে, "কেলেই বে—? তোৰ টিকনিত মোৰ কি সকাম বে? পিছে—তোক মই শুদাই নেৰোঁ নহয়? যি কাম কৰা নাছিলোঁ, সেই কাম কৰিম—তেহে তোক

সন্তোষকুমাৰ বৰ্মন



এৰিম।" এই বুলি কৈয়েই হাৰামে নৰামৰ দীঘলীয়া টিকনিত ধৰি হেই মাৰিল টান জোৰছে!

তাৰ পাছত দুয়োৰে মাজত লাগিল দন, নাই তই নাই মই ৰণ। শনাল শনাল শলামাতৰ শলি খেল চলি থাকিল। আৰু তাৰ পাছত এই কথাৰ হেস্তনেস্ত কৰাৰ বাবে দুয়োজনেই গাঁওবুঢ়াৰ কাষ চাপিল। আৰু—পিছে পিছে সেই অদাত্য ভূতো গৈ থাকিল।

তেতিয়া গাঁওবুঢ়াই চাৰিআলিৰ একাষত বহি চুৰট হুপি হুপি চাৰি আলিৰ ৰটনি শুনি আছিল। একে একে দুয়োৰো দুখৰ কথা শুনি, জ্বলি থকা চুৰটডাল কাষত থৈ সিহঁতক বুজনি দিবলৈ ধৰোঁতে খাই মৰা খোৱাই ভাবিলেঃ এইবাৰ গাঁওবুঢ়াৰ গলত বাঁহ দি চোৱা যাওক। এই বুদ্ধি ভবাৰ লগে লগে সেই জ্বলি থকা চুৰটডাল অদাত্য ভূতে গাঁওবুঢ়াৰ চোলাৰ জেপত ভৰাই থ'লে।

গাঁওবুঢ়াই দুয়োকো মীমাংসাৰ পথলৈ লৈ আহিবলৈ কিবা এযাৰ শাস্ত্ৰ-বচন শুনাবলৈ ধৰোঁতেই, চোলাৰ জেপৰপৰা ধোঁৱা ওলোৱা দেখি বহাৰপৰা পোনছাটে থিয় হৈ উঠি পুৰি থকা চোলাৰ জুই নুমাই খঙতে দমদমাই উঠি নৰাম আৰু হাৰামক ক'লে, "ঐ হাৰামৰ নেগুৰহঁত, তহঁতে এই বছৰৰ কৰ-কাটলখিনি শোধালিনে? নে নোশোধাৰ? কালিলৈ আবেলিলৈকে সময় দিছোঁ, দিলে দিছ নিদিলে মৰিছ, তহঁতৰ মাটি-বাৰী য'ত যি আছে জব্দ কৰি ল'ম। বুইছ? এতিয়া যা—গুৎ—ফুট্ ইয়াৰপৰা!"

তাৰ পাছত গাত থকা পোৰা চোলাটো সলাবৰ বাবে গাঁওবুঢ়া তাৰ ঘৰৰ ভিতৰলৈ গ'ল, অদাত্যয়ো পিছ ল'লে।

গাঁওবুঢ়াৰ পৰিবাৰ সদায় জুইজ্বাল পানীঢাল কৰা কান্দুলিয়ে কক্কাই উঠি গাঁওবুঢ়াৰ হাল চাই হামৰাও কাঢ়ি ক'লে,



"তুমি চুৰট এৰিবানে নেৰা আগে তাকে কোৱা—পাছে তোমাৰ কথা শুনিমনে নুশুনিম ক'ম।"

অদাত্য খোবাই কান্দুলিৰ কথা শুনি ৰং পাই এইহালক ভালকৈ কাউৰীয়া কৰিবলৈ মন মেলিলে। অদাত্য খোবাই গাঁওবুঢ়াৰ হাতত থকা লাখুটি ডালেৰে কান্দুলিৰ পিঠিত এমাৰ শোধালে।

লগে লগে কান্দুলিয়ে কুকুৰটেঙীয়া মাতেৰে চিঞৰি চিঞৰি কুঠাৰজৰা দি থাকিল, "কি! ইমান মৰসাহ হ'লনে তোমাৰ? মোৰেই পিঠিত কোবালা? আজি তোমাকো মই কুকুৰ মাৰনে মাৰিম —তেহে মোৰ নাম কান্দুলি। বোলোঁ সিদিনা দৈৰামৰপৰা পাঁচশ মুদ্ৰা ভেটি খাই যে তাৰ হৈ মাত মাতিছিলা, তাৰ হৈ ৰায় দিছিলা—আজিয়েই মই ৰাইজক ক'ম। খৰৰ দৰব খুথুন্দত থঁহিলে কি হয়—আজি দেখুৱাম—তেহে মোৰ নাম!" এই বুলি কৈ, চিঞৰ-বাখৰ শুনি তালৈ ঢপলিয়াই অহা চুবুৰীয়াখিনিৰ আগত গাঁওবুঢ়াৰ ঘোচ খোৱাৰ ঘটনা কান্দুলিয়ে বিবৰিলে।

কান্দুলিৰ কথাখিনি সেই গাঁৱৰ সকলোতে বিয়পি পৰিল। গাঁৱৰ মূধাফুটাসৱে আলচ-বিলচ কৰি গাঁওবুঢ়া কৌৰৱৰ দুৰ্নীতিৰ বিষয়ে উচ্চ বিষয়াসকললৈ জনালে আৰু কিছুদিনৰ পাছত কৌৰৱক গাঁওবুঢ়াৰ পদৰপৰা বৰখাস্ত কৰি কৰ্তৃপক্ষই দুৰ্লভ নামৰ আন এজনক গাঁওবুঢ়া হিচাপে নিযুক্ত কৰা হ'ল।

এই ঘটনাৰ কিছুদিনৰ পাছৰ কথা। এদিন অদাত্য খোবাই যেতিয়া বৰগছজোপাৰ ডালত খৰ উশাহ ধৰি লেটি লৈ আছিল, তেতিয়া গছৰ তলত ফেচু আৰু বেচু নামৰ দুটা চোৰে ফুচুৰ-ফাচাৰকৈ কথা পতা সি শুনি কাণ থিয় কৰা হ'ল। ফেচু আৰু বেচু সুতখোৰ মহাজন শূন্যহস্তৰ ঘৰলৈ চুৰি কৰিবলৈ ওলাল আৰু অদাত্য ভূতেও সিহঁতৰ পিছ ল'লে।

ফেচুৱে শূন্যহস্তৰ ঘৰৰ এঠাইত সিন্ধি খান্দি সোমাবলৈ ধৰোঁতেই অদাত্য খোবাই পিছফালৰপৰা ফেচুৰ ঠেং এখনত কোবামুঠীয়াকৈ ধৰিলে। ফেচু পৰিল মহা অথন্তৰত, সোমাবও নোৱাৰে ওলাবও নোৱাৰে। ফেচুৱে ভাবিলে যে বেচুৱে তাক সিন্ধিৰ মাজেদি সুমুৱাই দিবলৈ খৰখেদা কৰিহে এই অথন্তৰীয়া কাণ্ডৰ সৃষ্টি কৰিলে।

বেচু আচলতে ঘৰৰ ঘাই দুৱাৰত পৰ দি বৈ আছিল। ফেচুক তেনেকৈ ওলাব-সোমাব নোৱাৰা অৱস্থাত দেখা পাই তালৈ দৌৰি গ'ল আৰু লগে লগে অদাত্য ভূতে ফেচুক এৰি একাষৰীয়াকৈ থিয় হৈ থাকিল। বেচুৱে উবুৰি খাই ফেচুৰ ঠেঙত ধৰা মাত্ৰেই ফেচুৱে উবুৰি খাই পৰা ফেচুৰ মুখত পল্লয় গোৰ এটি শোধালে আৰু লগে লগে বেচুৱে আৰ্তনাদ কৰি উঠিল।

বেচুৰ মৰ-চিঞৰ শুনি ঘৰৰ দাৰোৱান, চাকৰ-নাকৰ, গৰাকী দৌৰি আহিল আৰু ফেচু-বেচু দুয়োটাকে হাতে-লোতে ধৰি কতোৱালৰ হাতত গটাই দিলে। কতোৱালে ফেচু-বেচুলৈ, জুই-ওলোৱা চাৰনিৰে চালে। চাই—চোকৰ তৰোৱাল খাপৰপৰা উলিয়াই, চোৰাত মেলাৰ ভাবুকিৰ ভাও দি ফেচু-বেচুক কতোৱালে ক'লে, "চা, তহঁত চুৰিৰ কামত একেবাৰেই নাবালক। সৰু-সুৰা চুৰি-চাপাচীতো যদি এতিয়াও ধৰাকে পৰ — আচল চুৰি কৰিবিনো কেতিয়াৰপৰা ? চা, শেহৰ কথাটোকে আগতে কওঁ। কালিলৈ মোক এহেজাৰ মুদ্ৰা বা তদনুপাতে সোণ-ৰূপ যি দুখীয়ামতে পাৰ--দিবিহি। তাৰ পাছত য'ত যি কৰ কৰি থাকিবি। আজি তহঁতক এৰি দিছোঁ, কিন্তু যদি মোৰ কথাবাৰ কাষৰকৈ থৈছ—একেবাৰে যমৰ আলহীকে হৈছ বুলি জানিবি।" এই বুলি কৈ, কতোৱালে ফেচু-বেচুকএৰি দিলে।

কাণ্ড চাই অদাত্য ভূত অবাক!

অদাত্যই যেনেতেনে কতোৱালক কাছুটি এৰা কৰিব, কাটি কাটি ডেকুৰ দিব —মনতে কিৰা কাঢ়িলে।

কিন্তু সেই নিশা ফেচু-বেচুৰে হাজাৰ চেষ্টা কৰিও ক'তো চুৰি কৰিব, বা কতোৱালৰ ধন গোটাব নোৱাৰি সেই বৰগছজোপাৰ তলত মন মাৰি বহি থাকিলগৈ। ঠিক তেতিয়াই গা-খোৱা খোৱা অদাত্যই বুধি এটা পাঙিলে।

অদাত্যই গাঁৱৰ জমিদাৰৰ ঘৰত সোমাই চন্দুকৰপৰা সোণৰ গহনা এটোপোলা লৈ আহিল আৰু গছৰ ডালত বহি ফেচু-বেচুৰ সমুখত সেই গহনাৰ টোপোলাটো পেলাই দিলে।

হঠাৎ এইদৰে গহনাৰে ঠাহ খোৱা টোপোলা এটা পাই—গো-ফাংনা লগা ফেচু-বেচুৰে জীয়া-খোৱা কতোৱালৰ হাতত জীয়ন্ততে মৰাৰপৰা সাৰিব পৰাৰ কথা ভাবি জীৱ ঘূৰাই পালে। সিহঁতে তৎক্ষণাৎ কিছুখিনি গহনা কতোৱালক দি কথমপি ৰক্ষা পৰিল।

কতোৱালৰ পৰিবাৰ আছিল গহনা লুভীয়া। পাছদিনা সেই জমিদাৰ ঘৰলৈ কতোৱাল-পৰিবাৰৰ নিমন্ত্ৰণ। নিজৰখিনিৰ সৈতে এইখিনিও পিন্ধি লৈ কতোৱাল-পৰিবাৰ কঞ্চুকী নিমন্ত্ৰণ খাবলৈ গ'ল।

আৰু লগে লগে জমিদাৰ-পত্নীয়ে চুৰি হোৱা গহনাখিনিৰ কথা গিৰিয়েকক



ভাঙি-পাতি বুজাই ক'লেগৈ।

জমিদাৰে সোধাত কতোৱাল-পৰিবাৰ কঞ্চুকীয়ে ক'লে যে — কালি তেওঁৰ গিৰিয়েকে অৰ্থাৎ কতোৱালে তেওঁৰ কাৰণে এই গহনা লৈ আহিছিল। এই কথা শুনি জমিদাৰে কতোৱালক মতাই অনালে আৰু ইতিমধ্যে — কতোৱালক দিয়াৰ পাছত বাদবাকী গহনাখিনি বেচিবলৈ ধৰোঁতে ফেচু-বেচু পুনৰ ধৰা প্ৰহৰীৰ হাতত পৰিল।

এইদৰে—চোৰৰ লগত কতোৱালো ধৰা পৰাত খোবা অদাত্যৰ মনত একেবাৰে নধৰ-নপৰ লাগিল।

তাৰ পাছত অদাত্যভূতে গাঁৱৰ ভূত খেদোৱা মন্ত্ৰজনা পণ্ডিত এগৰাকীৰ নাতিয়েকক এটা ফলৰ বাগিচালৈ লৈ গ'ল আৰু তাত ফল খাই থকা অৱস্থাত দেখা পাই এই ঘটনাৰ মাজত ভৌতিক ৰহস্যৰ গোন্ধ পাই পণ্ডিত গৰাকীয়ে মাটিত গণ্ডি এটা আঁকি লৈ, মন্ত্ৰ মাতি অদাত্য খোবাক তথা ভূতটোক গণ্ডিৰ ভিতৰলৈ আহিবলৈ আদেশ কৰিলে।

এইবাৰ অদাত্য খোবাই নৰামৰ টিকনিত ধৰি টনাৰপৰা কতোৱালৰ কাহিনী সবিস্তাৰে কোৱাত এই মন্ত্ৰবিদ পণ্ডিত গৰাকীয়ে অদাত্যক ক'লে, "আজিলৈকে তুমি যিবোৰ কাম ৰং চাবলৈ কৰিছা, তাৰে আমাৰ গাঁৱৰ তথা গয়াঁৰ ভালেই হৈছে। কিন্তু সহস্ৰ ভাল কামৰ মাজতে এটি ঘোৰতৰ বেয়া কাম কৰিলা আমাৰ এই নাতিল'ৰাটিক অপহৰণ কৰি। আৰু তাৰ কাৰণে — যাতে আগলৈ তোমাৰপৰা আন কাৰোবাৰ এনে বিষম বিপদ নহয় —মোৰ আদেশ—এতিয়াই এই গাঁও এৰি চিৰদিনৰ বাবে গুচি যোৱা।"

এই ঘটনাৰ পাছত গা-খোৱা খোবাই খতৰ খাই খত-বান্ধ দি গুচি গৈছিল।



অপূৰ্ব কাহিনী

৮

[আগৰ কথা : অপূৰ্বৰ আদেশক্ৰমে সমীৰে অপহৃত ল'ৰাইতৰ নেতৃত্ব গ্ৰহণ কৰিলে। তাৰ পাছত অন্য এখন বেপেকৰা জাহাজৰপৰা প্ৰায় বিছজনমান ঠাট-কটক জলদস্যুইতৰ এই জাহাজলৈ আহিল আৰু সমীৰৰ ঠান-ভান মতে জাহাজৰ কোঠা এটাত গৰলধৰ আৰু তাৰ লগৰীয়াইতক চাৰিওফালৰপৰা আগুৰি ধৰি তাতেই বন্দী কৰিলে। আৰু তাৰ পাছত···]

ভালে-কুশলে উভতি অহা ল'ৰা পাঁচোটিক পাই সিহঁতৰ মাক-দেউতা ভায়েক-ভনীয়েক আৰু অন্যান্য আত্মীয়-স্বজনহঁতো অত্যন্ত আনন্দিত হ'ল। লগতে—বদমাছ জলদস্যুবিলাকক বন্দী কৰাত দেশৰ ৰজায়ো ল'ৰা পাঁচোটিৰ আৰু বিশেষকৈ সমীৰৰ শলাগ ল'লে, সিহঁতৰ ধৈৰ্য্য সাহস তথা উপস্থিত বুদ্ধিৰ বাবে প্ৰশংসা কৰিলে।

ৰজাৰ, তথা ৰাইজৰো এই শলাগনিওলগনিয়ে সমীৰক কিছু অস্বস্তিত পেলালে। কিয়নো—সমীৰে জানে, আচলতে এই প্ৰশংসা মাত্ৰ এজনৰহে প্ৰাপ্য। সেইজন হ'ল অদৃশ্য অপূৰ্ব।

সমীৰ নিমিত্তমাত্ৰ। অপূৰ্বই যেনেকৈ যি আদেশ দিছিল, সমীৰে সেই সেই আদেশ পালন কৰিছিল, ইমানেই।

এইবোৰ ৰাজহুৱা সন্মান-শলাগৰ হৈ-চৈ যেতিয়া মাৰ গ'ল, তেতিয়া সমীৰে এডোখৰ নিৰল-নিৰ্জন ঠাইলৈ গৈ একান্ত-মনেৰে অপূৰ্বক সুঁৱৰিলে। সমীৰ তেতিয়া নিজৰাৰ ওচৰত বহল শিল এচটাৰ ওপৰত চকু মুদি বহি আছিল। কিহবাৰ এক সুশীতল স্পৰ্শত চকু মেলি চাই সমীৰে তাত অপূৰ্বক থিয়-হৈ থকা দেখা পাই আশ্চৰ্য্য তথা মোহিত হ'ল।

সমীৰে অপূৰ্বক নমস্কাৰ কৰিলে আৰু ক'লে, "আজি আমাৰ কিমান যে আনন্দৰ দিন! আমাৰ...... "

সমীৰৰ কণ্ঠ আনন্দৰ আবেগত প্ৰায় ৰুদ্ধ হৈ পৰিল।

"সমীৰ!" অপূৰ্বই ক'লে, "আমাৰ এই আনন্দ—ৰাইজেও পাওক। এয়েহে মোৰ কাম্য। আশা কৰোঁ—তুমিও তাকেই বিচাৰা। তোমালোকৰ গাঁৱৰ দুখীয়া-ভুকীয়াইঁতক কিঞ্চিত আনন্দৰ প্ৰসাদ বিলোৱা যাওক।"

"কেনেকৈনো, প্ৰভু?" সমীৰে বিমৰ্ষ ভাবেৰে ক'লে, "আমাৰ দুখীয়া-ভুকীয়া ৰাইজে আনন্দ লভক—মোকো লাগে। কিন্তু তাৰ কাৰণে লাগিব ধন। বিৰাট পৰিমাণৰ ধনৰ অবিহনে আমাৰ ৰাইজৰ দুখ-ভোক অলপো পাতলাব নোৱাৰি।"

"তোমাৰ মন আছে যদি—ধনৰ বন্দবস্ত মই কৰিম। কিন্তু এটা বিশেষ কথা সমীৰ, তুমি মোক 'প্ৰভু' বুলি সম্বোধন কৰিছা কিয়? আগলৈ যদি তুমি তেনেকৈ ক'বা, মই কিন্তু তোমাৰ সৈতে একদম নমতা হ'ম।" অপূৰ্বই ক'লে।

"তোমাৰ আদেশ শিৰোধাৰ্য্য বন্ধু। কিন্তু ধনৰ বন্দবস্ত কেনেকৈ কৰিবা?" সমীৰে অপূৰ্বক সুধিলে।

"মই যেতিয়া জলদস্যুইঁতৰ জাহাজত আছিলোঁ, তেতিয়া সিহঁতে শিলাদ্বীপ নামৰ কোনোবা দ্বীপৰ গুহাত ধন-সোণ হীৰা-মণিমুকুতা সাঁচি থোৱাৰ কথা

কোৰাকুই কৰি থকা শুনিছিলোঁ মই। কোনোবা দেশৰ ৰাজকুঁৱৰী জাহাজেৰে বিয়াৰ পাছত গৈ থাকোঁতে জলদস্যুহঁতে ৰাজকুঁৱৰীৰ ধন-সোণ হীৰা-জহৰত লুটপাত কৰিছিল। আৰু—"

সমীৰে কৈ উঠিল, "ওঁ—ওঁ, আমাৰ ডাঙৰহঁতে এই ঘটনাৰ কথা জানে, সকহঁতক নিচুকাওঁতে কয়।"

"ওঁ, ঘটনাটো সঁচা।" অপূৰ্বই হাঁহি হাঁহি কৈ থাকিল, "ৰাজকুঁৱৰীৰ অপাৰ ধন-সোণ হীৰা-জহৰত মণি-মুকুতা শিলা-দ্বীপৰ গুহাত লুটিয়াৰহঁতে লুকাই থৈছে। এই ধন-ৰত্নৰ ভাগ-ৰ কথাত লুটিয়াৰহঁতৰ মাজত লাগিল দন, আৰু দনেই ৰণলৈ বাগৰিল। দুটা দল হৈ গ'ল, আৰু এই লোভৰ ৰণত এটা দলৰ প্ৰায়বোৰ মৰিল, বাদবাকী পলাই সাৰিল। যিবিলাক লুটিয়াৰে এই ৰণত জিকিছিল, সিহঁতকে তুমি বন্দী কৰালা। সিহঁতো এই বেপেকৰা জাহাজখন লুটপাত কৰাৰ অন্তত শিলা-দ্বীপলৈ যাব আৰু দুয়ো হাতে লোভৰ ধন-ৰত্ন কোঁচাই গৰকি আনি কিস্তি মাত কৰিব—এয়ে আছিল সিহঁতৰ ফন্দি। কিন্তু—তুমিয়েইহে সিহঁতকেটাক ফন্তাই দি কোবাই ফান্দত পেলাই ফাটকত আটক কৰি থ'লা!"

"অ'—!" সমীৰে ক'লে, "সেই ধন-ধন-সোণ হীৰা-জহৰত সোপা এতিয়া আমি আনিব পাৰিম বুলি ভাবিছানে কি ?"

"ওঁ। পিছে—কথা আৰু এটা আছে। লোভৰ ৰণত হাৰি যোৱা লুভীয়া লুটিয়াৰ-বোৰৰ মাজত যিবোৰে প্ৰাণ লৈ পলাইছিল, সেইবোৰ বন্ধাৰ দুলাবাৰি হৈ বাহী বিয়া চাই আছে বুলি নাভাবিবা। সিহঁতৰ প্ৰতিপক্ষ এতিয়া ফাটকত আটক হোৱাৰ বাতৰি পাইছে যদি—সিহঁতে নিশ্চয় বাহু বান্ধিব আৰু শিলাদ্বীপৰ ধন-সোণ কোঁচাই আনিবলৈ যাব। সেইহে—সেই ধন যদি পাবলৈ মন—আন ছন-

বন কাতি কৰি শিলাদ্বীপলৈ বুলি যাত্ৰাৰ এয়েহে ক্ষণ।" অপূৰ্বই ক'লে।

এই কথা শুনি সমীৰে অপাৰ উৎসাহেৰে কৈ উঠিল, সেই ল'ৰা পাঁচোটিকো আমাৰ লগত ল'লে বেয়া নহ'ব। আৰু— সিহঁতে তোমাক ,এটি বাৰলৈ দেখা পাব খুজিছে, বন্ধু! তোমাৰ লগ লাগি আকৌ এনেবোৰ অভিযানলৈকো ওলাব খুজিছে সেই ল'ৰাকেইটিয়ে।"

অলপ পৰলৈ চিন্তি অপূৰ্বই সমীৰৰ প্ৰস্তাৰত সম্মতি দিয়া হ'ল আৰু দপাইকৈ তাৰপৰা গুচি গ'ল।

সমীৰে ল'ৰা পাঁচোটিৰ মাক-দেউতাকৰপৰা সম্মতি লৈ। শিলাদ্বীপলৈ বুলি ওলাবলৈ যো-জা কৰি থাকিল।

কিছু সময়ৰ পাছত সেই ল'ৰা পাঁচোটি আৰু সমীৰ সাগৰতীৰলৈ গ'ল আৰু তাত অপূৰ্বক বৈ থকা দেখা পালে। ল'ৰা পাঁচোটিয়ে শ্ৰদ্ধাযুক্তভাবে অপূৰ্বক নমস্কাৰ কৰিলে আৰু অপূৰ্বয়ো কুশলবাৰ্তা সুধিলে।

পূৰ্বদিশত তেতিয়া পূৰ্ণচন্দ্ৰৰ উদয় হৈছে, অপূৰ্বই মুহূৰ্তমানলৈ চকু মুদি গণ্ডমীনবিলাকক সুঁৱৰিলে। আৰু পাছ মুহূৰ্ততে সাগৰৰ বুকুত উথল-পাথল ঢৌ তুলি সাগৰৰ বুকু ফালি ফালি জাক জাক গণ্ডমীনক সেই পোনে আহি থকা দেখা গ'ল।

গণ্ডমীনবিলাকে বিচিত্ৰ ধ্বনিৰে সিহঁতৰ আগমন-বাৰ্তা ঘোষণা কৰিলে। এটা বৃহৎ আকাৰৰ গণ্ডমীনৰ পিঠিত উঠি বহিল অপূৰ্ব, আৰু সমীৰহঁতে অন্যান্য বছা বছা গণ্ডমীনবিলাকৰ পিঠিৰ ওপৰত বহি দিলেগৈ তৎক্ষণাৎ।

যিটো গণ্ডমীনৰ ওপৰত অপূৰ্ব বহি আছিল, সেই গণ্ডমীনটো আগে আগে গৈ থাকিল আৰু সমীৰহঁতৰবোৰ পিছে পিছে। অন্য বহুসংখ্যক গণ্ডমীন দুকাষেদি গৈ থাকিল প্ৰহৰীৰ দৰে।

অপূৰ্বৰ মূৰৰ ওপৰত এটা সমুদ্ৰী-

কাউৰীয়ে চিঞৰি চিঞৰি কিবা কৈ আছিল। অপূৰ্বই কাউৰীটোলৈ চাই হাঁহি হাঁহি কিবা ধৰণৰ ঠান-ভান কৰাত কাউৰীটোৱে বেগাই উৰি গুচি গ'ল। তাৰ পাছত — ঢৌতে খঁৰ মাৰি মাৰি, ঢৌৰ লগত বাগৰি বাগৰি অতি সাৱধানী-সাহিয়াল গণ্ডমীনহঁত শিলাদ্বীপৰ থিয়দণ্ডা শিলাময় তীৰ পালেগৈ।

অপূৰ্ব আৰু সমীৰ প্ৰথমে, আৰু পিছে পিছে অন্যান্য ল'ৰাহঁতো নামিল গণ্ডমীনৰ পিঠিৰপৰা। শিলাদ্বীপৰ শিলহেন মাটিত সিহঁতে পদাৰ্পণ কৰিলে।



তাৰ পাছত মুহূৰ্তৰেপৰাই সমীৰহঁতে ধন-সোণ হীৰা-জহৰত থকা গুহা বিচাৰি উলিউৱাত লাগিল। বিৰাট বিৰাট চটাচটে শিলৰ মাজে মাজে অজস্ৰ গুহা দেখা গ'ল। ইমানবোৰ গুহাৰ মাজত কোনটো গুহাতনো আছে সেই অপাৰ ঐশ্বৰ্য্য ?—সিহঁত কিঞ্চিত বিভ্ৰান্ত যেন হৈ পৰিল।

প্ৰথম গুহাটোত সোমাই ল'ৰা-কেইজনে তন্ন তন্নকৈ চালে। তাত কিবা এটা বস্তু জিলিকি থকা দেখা পালে নিমজ অন্ধকাৰৰ মাজত। সমীৰ আগে আগে গৈ থাকিল। কিন্তু হঠাৎ বিৰাট সাপৰ ফোঁচফোঁচনি শুনি সিহঁত দপাটকৈ গুহা এৰি ওলাই আহিল। জিলিকি থকা বস্তুটো যে আছিল সাপৰ ফেঁটৰ মণি, সেই কথাত সমীৰ নিঃচিন্ত হ'ল।

গুহাৰপৰা ওলাই অহাৰ পাছত ল'ৰা এটাই কৈ উঠিল, "আমি শিলাদ্বীপ পালেঁাহিয়েই যেতিয়া, গুপ্তধনো বিচাৰি উলিয়াব পাৰিমেই। এতিয়া অলপ আৰাম কৰা যাওক।"

"একদম কথা নক'বা, চুপচাপ থাকিবা।" অপূৰ্বই গুন-গুনকৈ ক'লে, "তুৰন্তে এই প্ৰকাণ্ড শিলচটাৰ আঁৰ লোৱা। ব'লা—ল'ৰাহঁত!"

সিহঁত সাতোজনেই সেই প্ৰকাণ্ড

শিলচটাৰ আঁৰত জুপুকা লাগি নিৰৰে-নিমাতে বহি থাকিল।

এই শিলচটাৰ সিফালে হঠাৎ হো হোকৰে হাঁহিৰ শব্দ উঠিল। সিহঁতৰ কথালৈ অপূৰ্বই কাণ থিয় কৰিলে।

"উস্! আজি—দহ বছৰৰ অন্তত আমাৰ মনৰ ইচ্ছা পূৰিব! আমাৰ সপোন দিঠক হ'ব, আমাৰ ধন-সোণ হীৰা-জহৰত আমাৰ হাতলৈ আহিব। এতিয়া আৰু আমাক বাধা দিব পৰা এটা বেটাও নাই। আটাইবোৰেই জহন্নাম পালেগৈ নিশ্চয়।" কোনোবা এটাই কৈ উঠিল।

"এ—নহয়। এনেকৈ নাগেৰা চটাই খাবি বুলি ভাবিছ যদি—মৰিছ বে'। আটাইকেটা জহন্নামলৈ যোৱা নাই, ভালেকেটামান ফাটকত আটক হৈ আছে।" আন এটাই ক'লে।

"হ'ব—হ'ব। তহঁতে এইদৰে কথাৰ ফুলজাৰি মাৰি মাৰি ফৰ্মুটিয়াই নাথাকিবিচোন? লুটিয়াৰহঁতৰ চৰ্দাৰে ফাই উঠি ক'লে, "আগৰ কাম আগে কৰ্, নহ'লে আওমৰণে মৰ্। ক'ত যে বাঘ লুকাই আছে—ক'ব নোৱাৰি।"

"কতেনো বাঘটো পাইছা ইয়াত? এটা বিৰালীও নাপাবা বিচাৰি। আৰু—আমাৰ গুপ্তধনৰ তো ডেউকা নাই যে উৰি গুচি যাবগৈ।" আন এটাই ধেমালিতে ক'লে।

"শুনা, আগৰ কাম আগে কৰা, নহ'লে মৰা। ধন-সোণ হীৰা-জহৰতখিনি এতিয়াই আমাৰ জাহাজত উঠাই দিয়া, পাছত খোৱা-পিয়া কৰিবা, যি কৰা কৰি থাকিবা।"

অপূৰ্বই শিলচটাৰ একাষেদি এই লুটিয়াৰহঁতক দেখা পালে। মস্ত মস্ত ইয়া তাগ্‌ড়া-জোৱান সেই লুটিয়াৰহঁতে এটা গুহাৰপৰা প্ৰকাণ্ড প্ৰকাণ্ড চন্দুকবোৰ মূৰৰ ওপৰত দাঙি লৈ জাহাজত বোজাই কৰি থাকিল। এই কাম শেষ কৰাত

সিহঁতে আধা ঘণ্টামান সময় ল'লে।

"বাৰু, এতিয়া ব'লা—আমি খানা-পিনা কৰোঁগৈ।" লুটিয়াৰহঁতৰ চৰ্দাৰে আনবিলাকক ক'লে।

জাহাজৰপৰা ৰুটি, বিধেবিধ আঞ্জা আৰু মদৰ পিপা দুটামান কঢ়িয়াই নিয়া হ'ল, আৰু এডটা আহল-বহল শিলত আটাইবোৰ লুটিয়াৰে খাদ্য আৰু মদ্য খাবলৈ বহি দিলে।

লগতে গানৰ নামত অসভ্য চিঞৰ চলি থাকিল—হুই-হাই সুহুৰিৰ তালে তালে আধা-নঙঠা নাচ। ভালেকেটামানে টেটুঁলৈকে মদ খাই বেহুঁচ হৈ বাগৰি পৰিল। কিছুমানৰ নাকৰ ঘোৰ্ঘোৰণি শুনা গ'ল। কিছুমান টলং-ভটং হ'ল!

এইবাৰ অপূৰ্বই কৈ উঠিল, "ব'লা, আমি ইয়াৰপৰা গুচি যোৱাৰ এয়েহে সঠিক সময়।"

"গণ্ডমীনবিলাক ইয়াতে ৰৈ আছেনে?" ল'ৰা এটাই অপূৰ্বক সুধিলে।

"সিহঁতে সাগৰৰ ভিতৰফালতে মজা মাৰি আছে। আমি এতিয়া এই লুটিয়াৰহঁতৰ জাহাজত উঠি ধন-ৰত্নৰে সৈতে গুচি যাম।" লুটিয়াৰহঁতৰ জাহাজৰ ফালে গৈ থাকোঁতে অপূৰ্বই ক'লে।

ল'ৰাবোৰে আনন্দৰে দৌৰি দৌৰি লুটিয়াৰহঁতে লৈ অহা সেই জাহাজত উঠিলগৈ। যেতিয়া অপূৰ্ব আৰু সমীৰো উঠিলহি, তেতিয়া গণ্ডমীনবিলাকে জাহাজখনক জোৰেৰে ঠেলি ঠেলি নিমিষতে সাগৰৰ সোঁমাজ পোৱালে।

আৰু ল'ৰাহঁতে সৰ্বশক্তিৰে বঠা মাৰি মাৰি গুপ্তধনৰে সৈতে জাহাজখন চলাই লৈ গৈ থাকিল।

লুটিয়াৰ বদমাছ হঁত তেতিয়াও তিনি টেকেলিকৈ মদ খাই বেহুঁচ হৈ, শিলাদ্বীপৰ শিলৰ ওপৰত চিত্-ভোলোঙা খাই পৰি আছিল।

[আগলৈ

অধিকাৰৰ অধিকাৰী

প্ৰতিজ্ঞাত অটল ৰজা বিক্ৰমাদিত্যই পুনৰ সেই গছৰ ডালৰত ওলমি থকা মৃতদেহটো লৈ নিৰৱে-নিমাতে ঘোৰ নিৰ্জন-নিশব্দ মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া সেই মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰাজন্! তোমাৰ এই যুগ যুগ জোৰা ধৈৰ্য্যপূৰ্ণ কাৰ্য্যই তোমাক যে কি দিব — মই ক'ব নোৱাৰোঁ। কিন্তু যদি তুমি 'মহাত্যাগী' 'প্ৰজাবৎসল' 'সমাজমণি' আদি ফোপোলা কথাৰ ৰাগীৰে মতলীয়া হৈ এই কাম কৰি আছা, প্ৰকৃত অধিকাৰত অধিকাৰী হ'ব পাৰিবানে? অনুগ্ৰহ কৰি বিশ্বনাথৰ কাহিনী শুনি এতিয়াও চেতন- হোৱাঁ। এই কাহিনী ভাগে তোমাৰ উপকাৰ কৰিব পাৰক বা নোৱাৰক, পথশ্ৰম কথঞ্চিত লাঘৱকৰিব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'



কোশল ৰাজ্যৰ শ্ৰীপুৰমণ্ডল নামৰ অঞ্চলত চন্দ্ৰগিৰিগাঁৱৰ গাঁওবুঢ়াৰ ঘৰত বহুদিনৰপৰা বিশ্বনাথে কাম-বন কৰিছিল। এদিন বিশ্বনাথে গাঁওবুঢ়া মহাদেৱক ক'লে, "দেউতা, আমাৰ পৰিয়ালখন মই অকলেই আৰু চলাব নোৱাৰা হৈছোঁ। মোৰ ডাঙৰ ল'ৰাটোক দয়া কৰি কিবা কাম এটাত লগাই দিয়ক—দেউতা।"

গাঁওবুঢ়া মহাদেৱে মুখত হাঁহি এচটা বিৰিঙাই বিশ্বনাথক ক'লে, "এনে সৰু গাঁওখনৰ ক'ত কি আছে—তুমি নজনাকৈ আছানে বাৰু? পিছে—এটা কাম কৰিব পাৰি। তুমি যদি কাম এৰি দিয়া, তোমাৰ সলনি মই তাক ল'ব পাৰোঁ।"

এই কথা শুনি বিশ্বনাথৰ ঘৈণীয়েকে ঘেং কৰি উঠিলে আৰু ক'লে যে বিশ্বনাথে চাকৰি এৰি ঘৰত সোমাই থাকে যদি কোনেও নমনা হ'ব, আনকি নিজৰ বোৱাৰীৰ চকুতো সৰু হৈ পৰিব।

কিন্তু ঘাই চুলিত ধৰাসত্ত্বেও বিশ্বনাথে ঘৈণীয়েকৰ কথাৰ বিৰুদ্ধেই কাম কৰিলে। ডাঙৰ ল'ৰাটোক গাঁওবুঢ়াৰ ঘৰত কাম কৰাৰ বাবে দিলে।

তাৰ পাছত বিশ্বনাথে এহালিচামান মাটিত খেতি-বাতি কৰি থাকিল, আৰু এই কামত সৰু ল'ৰাটোকো লগত ল'লে।

কিছুদিনৰ পাছত বিশ্বনাথৰ কুটুম এজন ওলালহি। এই কুটুম মানুহজন আছিল যথেষ্ট ধনী মানুহ। কথাই কথাই বিশ্বনাথে এওঁক ক'লে, "আমাৰ গাঁৱত—লাগ বুলিলে আছে বহুতো কিবাকিবিয়েই—কিন্তু পুথি-ভঁৰালহে নাই। কোৱা হয় যে— শিক্ষাহীন মানুহ হ'ল পশুতুল্য। তুমি বাৰু আমাৰ গাঁৱত এখন পুথি-ভঁৰাল পাতি দিব পাৰানে কি?

ধনী মানুহজনে ক'লে, "পাৰি। পুথি-ভঁৰাল সাজি দিব পাৰি, ভাল পুথি-পত্ৰও কিনি দিব পাৰি। কিন্তু পুথি-ভঁৰালখনৰ চোৱা-চিতাৰ বাবে মানুহ এজন লাগিব

যে—মাহে মাহে সেইজনৰ বেতন—মোৰদ্বাৰাই নহ'ব যেন পাওঁ। যদি বিনা বেতনেৰে কোনোবাই এই কাম কৰে—বৰ ভাল হ'ব।"

বিশ্বনাথে গাঁৱৰ ডাঙৰ ডাঙৰ লোক সকলৰ কাষ চাপি এই বিষয়ে ক'লে, আলচিলে। ডাঙৰসকলৰ মাজত ভালেমানেই বিশ্বনাথকে তেনেকুৱা কাৰোবাক যোগাৰ কৰিবলৈ ক'লে।

এজন শিৰোমণিবিধৰ সমাজসেৱকে ক'লে, "হাৰে বিশ্বনাথ—ঘৰতে তোমাৰ মাখন পঁচিছে, আৰু তুমিচোন আমাৰ ঘৰতে ঘিউ বিচাৰি হায়ৰাণ হৈছা।—তোমাৰ সৰু ল'ৰাটোকে এই কামত লগাই নিদিয়া কিয়? সি তো পঢ়া-লিখাও কৰিলে কিছুখিনি। তাৰেই হৈ যাব।" শিৰোমণিয়ে পৰামৰ্শ আগবঢ়ালে।

পুথি-ভঁৰাল সজা হ'ল। বিশ্বনাথৰ সৰু ল'ৰাটো তাতে কামত লাগিল। ফলত—খেতি-বাতিৰ কামত আৰু হাত উজান দিব নোৱৰা হ'ল সি। তাৰ অবিহনে বিশ্বনাথৰ আয়-উপাৰ্জন যথেষ্ট কমিল। বিশ্বনাথ ধকুৱা হৈ পৰিল।

এবাৰ শ্ৰীপুৰমণ্ডলৰ অধিকৰ্তাই চন্দ্ৰগিৰিৰ গাঁওবুঢ়াক মতাই নি ক'লে, "তোমালোকৰ গাঁৱৰ মাটিত মূল্যৱান

খনিজ পদাৰ্থ সোমাই আছে। গতিকে—গাঁৱৰ মানুহখিনিক আন কোনোবা ঠাইলৈ পঠোৱা আৰু খনিজ বস্তু উলিয়াবৰ বাবে মাটি খান্দিবৰো বন্দৰস্ত কৰা।"

"ক্ষমা কৰিব—" গাঁওবুঢ়াই ক'লে, "গাঁৱৰ ৰাইজৰ প্ৰতি এনে অন্যায় কাম মোৰদ্বাৰা নহ'ব।"

শুনি বিশ্বনাথ সেই আঞ্চলিক অধিকৰ্তাৰ কাষ চাপিল আৰু ক'লে, "এই কাম যদি মোক দিয়ে—কৰিব পাৰোঁ।"

আঞ্চলিক অধিকৰ্তাই বিশ্বনাথক চৰকাৰী অধিকাৰপ্ৰাপ্ত কৰ্মচাৰী হিচাপে মকৰল কৰিলে আৰু বিশ্বনাথে এই

ক্ষমতাৰ বলত গয়ঁালিৰ আপত্তি সত্বেও এই কামলৈ আগ বাঢ়িলে। বিশ্বনাথে ৰজাৰ চিপাহী মতাই আনি গাঁৱৰ ৰাইজক বলেৰে অন্য গাঁৱলৈ লৈ গ'ল আৰু গাঁৱৰ মাটি খান্দি খনিজ বস্তু উলিয়াবলৈকো দিহা লোৱা হ'ল।

এই ঘটনাৰ ফলত বিশ্বনাথৰ নাম বৈ বৈ গ'ল আৰু আঞ্চলিক অধিকৰ্তাই আগৰ গাঁওবুঢ়াৰ ঠাইত বিশ্বনাথকে গাঁওবুঢ়া পাতিলে।

তাৰ পাছত কেইবছৰমান পাৰ হ'ল। এবাৰ কোশলৰ মহাৰাজে শ্ৰীপুৰমণ্ডলৰ মাজেদি লৈ যোৱা নৈত মামাউৰি বান্ধিবলৈ যো-জা কৰিলে। কিন্তু কথাউৰি বান্ধিলে শ্ৰীপুৰমণ্ডলৰ মাটি-ভেটী পানীৰে তল পৰিব, তাৰ যে কেনেকৈ কি কৰা যাব সেই কথাৰ অলোচনা কৰাৰ বাবে শ্ৰীপুৰমণ্ডলৰ অধিকৰ্তাক মতাই অনালে।

মহাৰাজৰ প্ৰস্তাৱ শুনি অধিকৰ্তাই মহাৰাজক এই কাম কৰাৰপৰা বিৰত হ'বলৈ ক'লে। বিশ্বনাথে মহাৰাজক ক'লেগৈ যে দায়িত্ব অৰ্পণ কৰা হ'লে এই কামটিও বিশ্বনাথেই সুকলমে কৰি দিব পাৰিব।

শুনি মহাৰাজ অতি তুষ্ট হ'ল আৰু শ্ৰীপুৰমণ্ডলৰ বৰ্তমান অধিকৰ্তাক বৰখাস্ত কৰি বিশ্বনাথক শ্ৰীপুৰমণ্ডলৰ অধিকৰ্তা পাতিলে।



নতুন ক্ষমতাযুক্ত পদ পোৱামাত্ৰেই বিশ্বনাথ কামলৈ জঁপিয়াই পৰিল আৰু নিজৰ গাঁৱৰ ৰাইজক আঁতৰ কৰাৰ দৰেই এই অঞ্চলৰ অসংখ্য মানুহকো আঁতৰাবলৈ চেষ্টা কৰি থাকিল। ফলস্বৰূপে—অসংখ্য প্ৰজা বিদ্ৰোহী হৈ উঠিল। কিন্তু বিশ্বনাথ নদমিল। ৰজাৰ চিপাহীবদ্বাৰা শ্ৰীপুৰমণ্ডলৰ বিস্তৃত অঞ্চল মুক্ত কৰিলে আৰু মহাৰাজৰ আঁচনিক ফলৱতী কৰি তুলিলে।

মথাউৰি ঠিকমতেই বন্ধা হ'ল। কোশলৰ মহাৰাজে বিশ্বনাথক ৰাজসভালৈ মতাই অনাই শলাগৰ শৰাই আগ বঢ়োৱাৰ উপৰিও বিশ্বনাথক মহান ত্যাগী-সমাজ-সেৱক আদি উপাধিৰে ভূষিত কৰিলে। 'লগতে কোশলৰত্ন' প্ৰদান কৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, তুমি এই বিশ্বনাথৰ গতি-গোত্ৰৰ বিষয়ে কিবা ক'বানে ? বিশ্বনাথে নিজৰ ডাঙৰ ল'ৰাটোক কাম দিয়াই নিজে কৰ্মহীন হৈ কিঞ্চিত আত্মত্যাগ প্ৰদৰ্শন কৰিলে। কিন্তু তাৰ পাছত যিবোৰ কাম কৰিলে, সেইবোৰত কিন্তু আত্মত্যাগৰ নাম-গোন্ধো নাছিল, আছিল আত্মযশলৈ তীব্ৰ আকাংক্ষা। বিশ্বনাথৰ পৰৱৰ্তী কাৰ্য্যত আত্মখ্যাতিৰ আকাংক্ষা কিমান যে আছিল — দেখ দেখকৈ ওলাই পৰা নাছিলনে ? নিজৰ খ্যাতি তথা অধিকাৰ-

স্পৃহা দোপত দোপে বঢ়াবলৈ বিশ্বনাথে অসংখ্য মানুহৰ দুৰ্দশা-দুৰ্ভোগৰ হেতু হৈ উঠা নাছিলনে? প্ৰজাবৰ্গৰ অসন্মতিলৈ চূড়ান্ত উপেক্ষা প্ৰদৰ্শন কৰি, ৰজাৰ চিপাহীৰ শক্তিৰ সহায় লৈ প্ৰজাবৰ্গৰ ন্যায্য অধিকাৰ দমন কৰা নাছিলনে? এনেহেন নিৰ্মম-নিষ্ঠুৰ তথা আত্মস্বাৰ্থী মানুহ এজনক কোশলৰ মহাৰাজে যে মহান ত্যাগী-সমাজসেৱক বুলি প্ৰকাশ্য ৰাজসভাত ক'লে, আৰু বিশেষকৈ 'কোশলৰত্ন' প্ৰদান কৰিলে—মহাৰাজৰ এই কাৰ্য্য অতিশয় নিন্দনীয় নহয়নে? আৰু — স্বয়ং কোশলৰাজ নিজেও স্বাৰ্থপৰ আৰু প্ৰজাৰ প্ৰতি উৎপীড়ক বুলি নিজক প্ৰমাণ কৰা নাইনে?—মোৰ প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি ধ্ৰুৱ জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "এই কথা সঠিক নহয়। বিশ্বনাথক স্বাৰ্থপৰ বুলি কোৱাৰ যুক্তি নাই, আৰু কোশলৰ মহাৰাজকো স্বাৰ্থী তথা প্ৰজা-উৎপীড়ক বুলি অভিহিত কৰিবৰ থল নাই। এখন গাঁৱৰ মাটিৰ তলত লুকাই থকা খনিজ বস্তুৱে যদি সমগ্ৰ দেশৰ উপকাৰ সাধে, তেনেহ'লে সেই গাঁৱৰ অধিবাসীসকলে স্বতঃপ্ৰবৃত্ত হৈয়েইহে অন্য ঠাইলৈ গুচি যাব লাগিছিল। কিয়নো এমুঠিমান প্ৰজাতকৈ দেশ ডাঙৰ। তাৰ পাছত — মথাউৰিৰ কথা। এঠাইত মাথাউৰি বান্ধিলে যদি সহস্ৰ ঠাইৰ ৰাইজৰ উপকাৰ হয়—সেই কাৰ্য্যক স্থগিত ৰাখিব নোৱাৰি। অধিকাৰৰ কথাত ক'ব পাৰি যে—প্ৰকৃত কাৰ্য্যকাৰীয়েই অধিকাৰৰো অধিকাৰী।

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[ডঃ তাটিচেলাৰ কাহিনীৰ আধাৰত]

চালি

লোকপ্ৰিয় শাসক বাদশ্বাহ আজীজৰ শাসনকালত বাগদাদত চুৰি-ডকাইতি বা অন্যান্য দুষ্কৰ্মও হৈছিল অতি কম।

বাদশ্বাহ আজীজে ইমানদাৰীৰ তথা সততাৰো শলাগ লৈছিল। সৎ লোকক, প্ৰকৃত ধৰ্মবিশ্বাসীসকলক তেওঁ যথোচিত আদৰ-অভ্যৰ্থনা কৰিছিল, যথাযথ উপহাৰ-পুৰস্কাৰেৰে উৎসাহিত কৰিছিল।

বহু বছৰৰ অন্তত বাদশ্বাহ আব্দুল পুত্ৰসন্তানৰ জনক হ'ল; এই উপলক্ষ্যে তেওঁ দেশৰ দুখীয়াসকলক বিভিন্ন ধৰণে সহায়তা কৰিলে, নানান দান দিলে।

এইদৰে —দুখীয়াৰো দুখীয়া এজনে এক বস্তা ঘেঁহু বাদশ্বাহৰপৰা দান হিচাপে পাই ঘৰলৈ লৈ গ'ল আৰু ঘেঁহুৰ বস্তাটো খুলি এটা সোণৰ মোহৰ পোৱা হ'ল।

দুখীয়া মানুহজনৰ বিবিয়ে (ঘৈণীয়েক) সুধিলে, "এই সোণৰ মোহৰটো কোনে দিলে তোমাক?"

তেতিয়া দুখীয়া মানুহজনে সকলো কথা ক'লে তাৰ বিবিক, আৰু লগতে ইয়াকো ক'লে যে এই মোহৰটো সি বাদশ্বাহক ঘূৰাই দিব।

শুনি বিবিয়ে মুখ বেকেটাই ক'লে, "এঁ—এঁ! তোমাৰ দেখিছোঁ আকল-বুধি বোলা একো নাই। কিয়নো বাদছাহক ঘূৰাই দিবা? বুদ্ধু কহিঁকাৰ!"

কিন্তু দুখীয়া মানুহজনে তাৰ বিবিৰ বুৰবুৰণি কঢ়ালৈ পৰোৱা নকৰি ক'লে, "ঘেঁহুৰ বস্তাত ভুলতেই মোহৰটো কোনোবাই ভৰাই দিলে। এই মোহৰটো যদি নিদিওঁ, আমাৰ অনিষ্টহে হ'ব, হয়তো

নেখাই মৰিব লাগিব।"

দুখীয়া মানুহজনে তাৰ বিবিৰ বু-বুৰা বুঝিলৈ মন-কাণ নিদিয়াকৈ পোনে পোনেই বাদশ্বাহৰ ওচৰলৈ গৈ মোহৰটো ঘূৰাই দিলে।

বাদশ্বাহ আজীজে দুখীয়া মানুহজনৰ এনে সততাত মুগ্ধ হৈ এটা মোহৰৰ সলনি এশটা মোহৰ তালৈ উপহাৰ দিলে।

এইবোৰ কথা-কাণ্ড বছিৰত নামৰ বেপাৰী এজনে দেখা পাইছিল। পাছত বহুতো গুণা-গঁথা কৰি বাছৰতেও দুখীয়াৰ ভেশ ধৰি পঞ্চাছটা মোহৰ লগত লৈ বাদশ্বাহক ক'লেগৈ, "জহাঁপনাহ্! পৰহি দিনা মোক এবস্তা ঘেঁহু দিছিল যে—সেই বস্তাটোৰ্ ভিতৰত এই পঞ্চাছটি মোহৰ পালোঁ। এই মোহৰখিনিত মোৰ কোনো অধিকাৰ নাই জহাঁপনাহ্, সেইহে মই ঘূৰাই দিবলৈ আহিছোঁ।" এই বুলি কৈ, কমেও পঞ্চাছৰ সলনি পাঁচশ মোহৰ পোৱাৰ আশাৰে বছিৰতে নিজৰ মোহৰ পঞ্চাছটি বাদশ্বাহ আজীজৰ হাতত দিলে।

বাদশ্বাহ আজীজে তীক্ষ্ণ দৃষ্টিৰে বছিৰতলৈ চালে। এই অন্তৰ্ভেদী দৃষ্টি সহিব নোৱাৰি বছিৰত তলমূৰ হ'ল। বছিৰতে দুখীয়াৰ ভেশ ধৰিছিল হয়, কিন্তু হাতৰ আঙুলিৰ-পৰা সোণৰ আৰু হীৰাৰ আঙঠিবোৰ সোলোকাবলৈহে পাহৰি গৈছিল। ঘাইকৈ এই ভুলৰ ফলতে বাদশ্বাহৰ চকুত বছিৰত ধৰা পৰিল।

কিন্তু বাদশ্বাহে বছিৰতক কোনো দণ্ড নিদিলে। তেওঁ তেওঁৰ ধন-ৰখীয়া খাজাঞ্চীক ক'লে, "এই মোহৰ পঞ্চাছটা ধন-ভঁৰালত জমা কৰক আৰু এই মানুহজনৰ নাম সৎকাৰ্য্যলৈ দান কৰা লোকৰ তালিকাত লিখি থওক।"

বছিৰতে বুজি পালে যে কেৱল চালি ধৰিলেই ম'ৰা নহয়, ভেশ ধৰিলেই সাধু নহয় সজে সজে, সজো হ'ব লাগিব।





ভাৰতৰ দেৱ-দেৱী ঃ

হনুমান

হনুমান হ'ল ভাৰতৰ এগৰাকী অতি উল্লেখযোগ্য দেৱতা। শ্ৰীৰামচন্দ্ৰৰ প্ৰতি অবিচল ভক্তিৰ যোগেদিয়েই হনুমানে দেৱত্ব লাভ কৰিছিল।

হনুমান হ'ল মহাদেৱৰ শক্তিৰ সাকাৰ-আকাৰ। এই শক্তিক পৱনদেৱতাই যুৱতী তপস্বিনী অঞ্জনাক দিছিল, আৰু তাৰ ফলত অঞ্জনাৰ পুত্ৰ ৰূপে জনমি আঞ্জনেয় নামেৰে খ্যাত হৈছিল। জগতত দেৱতাৰ কৃপাৰে অসাধ্য বোলা কোনো কাম নাই—হনুমানে দেখুৱাইছিল। হনুমানে সীতাক বিচাৰি উলিয়াইছিল। মহাপৰাক্ৰমী অজেয়—ৰাক্ষসাধিপতি ৰাৱণৰ গৰ্ব চূৰ্ণ-বিচূৰ্ণ কৰিছিল, লক্ষ্মণক জীয়াই তুলিবলৈ হিমালয়ৰপৰা গন্ধমাদন পৰ্বতকে কঢ়িয়াই আনিছিল।

এইদৰে, ৰাম নাম সুঁৱৰিবৰ লগে লগেই হনুমানৰ নামও স্বাভাৱিকভাৱেই ভক্তসকলৰ হৃদয়ত উচ্চাৰিত হৈ থাকিল। প্ৰকৃতপক্ষে—হনুমান হ'ল এক মহাশক্তি, বিনম্ৰতাযুক্ত অসীম পৰাক্ৰমীৰ মহান ৰূপ। যিসকলে ভক্তিভাৱেৰে হনুমানক সোঁৱৰে, তেওঁলোকৰ বাবে তেৱেঁই হ'ল সুন্দৰৰ দিগন্ত।

অভিষেকৰ অভিষেক

বেলজিয়ামৰ ৰাজধানী ব্ৰাছেলছত অনুষ্ঠিত শ্বৰ্টহ্যাণ্ড আৰু টাইপৰাইটিং অনুষ্ঠানৰ ৩৯তম আন্তৰ্জাতিক অধিবেশনত যোৱা জুলাই মাহত 'ইণ্টষ্টেনো ১৯৭১' চ্যাম্পিয়নশ্বিপ প্ৰতিযোগিতাত ভাৰতবৰ্ষৰ অভিষেক জৈন 'জুনিয়াৰ চ্যাম্পিয়ন' হ'ল (২০ বছৰৰ তলত)। অভিষেক জৈন হ'ল পঞ্জাবৰ জলন্ধৰ জিলাৰ গোৰয়া গাঁৱৰ অধিবাসী।

অভিষেকৰ বয়স মাত্ৰ তেৰ বছৰ। অভিষেকৰ টাইপৰ স্পিড হ'ল মিনিটে প্ৰতি ১০২'২, যাৰ মাজত শতকৰা ৯৯'৯৩ ভাগেই শুদ্ধ; আৰু ২০ বছৰৰ উৰ্ধৰ প্ৰতিযোগীসকলৰ মাজত দ্বিতীয় স্থানাধিকাৰীতকৈ ভাল বুলি কোৱা হৈছে। মিনিটেপ্ৰতি ৫৪৬ ষ্ট্ৰোক (স্পৰ্শ) অভিষেকে আয়ত্ত কৰিলে, যি ৫৪৮-অৰ মাজত ৫১১ শুদ্ধ।

অভিষেক এতিয়া দশমমানৰ ছাত্ৰ। যেইহে —ভাৰতৰ টাইপৰাইটিং পৰীক্ষাৰ প্ৰতিযোগিতাত অভিষেকে নাম লগাব নোৱাৰে। অভিষেকৰ দেউতাকৰ আছে এখন টাইপৰাইটিং ইন্সটিটিউট (কমাৰ্শিয়াল)। ইয়াত টাইপৰাইটিং আৰু শ্বৰ্টহ্যাণ্ড শিকোৱা হয়। স্কুলৰ ছুটিৰ পাছত অভিষেকে তাৰ দেউতাকৰ টাইপ-স্কুললৈ গৈ কোনোবা এটা টাইপৰাইটিং মেছিন খালী হৈ থকা পালেই বহি দিয়ে আৰু টাইপ কৰে। এইদৰে—চ্যাম্পিয়ানশ্বিপৰ বাবে আৱশ্যকীয় গতি (স্পিড) লাভ কৰি ১৯৮১ চনত অভিষেকে পুৰস্কাৰ পাইছিল।

তাৰ পাছত—সাহসৰ ওপৰত নিৰ্ভৰ কৰি অভিষেকে ব্ৰাছেলছৰ প্ৰতিযোগিতালৈ যোগদান কৰিছিল আৰু তাৰ দেউতাকৰ লগত তালৈ গৈছিল। অভিষেকৰ এই প্ৰতিযোগিতালৈ যাত্ৰাৰ বাবে সৰ্ববিধ ব্যয়ভাৰ বহন কৰিছিল ভাৰতৰ এক বিখ্যাত টাইপৰাইটিং কোম্পানিয়ে।

অভিষেকে হিন্দী আৰু পঞ্জাৱী ভাষাত মিনিটেপ্ৰতি যথাক্ৰমে ৭৫ আৰু ৮০ শব্দৰ গতি লাভ কৰিলে। 'ইন্টাৰষ্টেনো' ১৯৯৩ চনত তুৰ্কীদেশৰ ইস্তানবুল নামৰ নগৰত পতা হ'ব আৰু এতিয়াৰে-পৰাই অভিষেকে তাকৈ যাবলৈ ভৰা-ভগা কৰি আছে। গিনেছ বুক অভ্ ৰেকৰ্ডছতো নাম উঠাবলৈ অভিষেকে এতিয়াৰেপৰাই বিশেষ ভাবে আৰু মনপুতি প্ৰস্তুতি চলোৱা হৈছে; এতিয়া অভিষেকে ইলেকট্ৰনিক্স টাইপৰাইটাৰত প্ৰশিক্ষণ লৈছে আৰু আমেৰিকাৰ কোনোবা এক সংস্থা-আয়োজিত ইলেকট্ৰনিক্স টাইপৰাইটিং চ্যাম্পিয়নশিপ প্ৰতিযোগিতালৈ যোগদানৰ বাবে অভিষেকলৈ সাদৰ আহ্বান তথা আমন্ত্ৰণ জনোৱা হৈছে।

অভিষেকৰ এই সাধু প্ৰচেষ্টা সাফল্যমণ্ডিত হওক—এয়ে আমাৰ আন্তৰিক প্ৰাৰ্থনা।

আমি জানো নে ?

১. 'ৰোম নগৰীত যেতিয়া জুই লাগিল তেতিয়া নেৰোই বেহেলা বজাই আছিল।'—এই উক্তি যিজন সম্ৰাটৰ বিষয়ে কৰা হৈছিল, তেওঁৰ নাম কি ?

২. খৃষ্টপূৰ্ব ছয় শতিকাৰ এগৰাকী ভাৰতীয় চিকিৎসকক 'প্লাস্টিক ছাৰ্জাৰিৰ জনক' বুলি অভিহিত কৰা হয়। তেওঁৰ নাম ?

৩. এগৰাকী ভাৰতীয় বিজ্ঞানীয়ে গছৰ বৃদ্ধিৰ (ওপজ) জোখ লোৱাৰ উপায় উলিয়াইছিল। সেই বিজ্ঞানী আৰু তেওঁৰ উদ্ভাৱিত পদ্ধতিৰ নাম ?

৪. এগৰাকী ৰজা দৃষ্টিহীন আছিল—জনমৰেপৰাই। সেই তেওঁৰ ৰাণীয়ে নিজৰ চকুযুৰি কাপোৰেৰে বান্ধি লৈছিল। তেওঁ কোন ?

৫. কোনখন দেশৰ বিৰাট পতাকা দীঘল মাৰিৰে উৰোৱা হৈছিল ?

৬. অলিম্পিক-পতাকাত বিভিন্ন ৰঙৰ পাঁচটা বেৰী আছে। এই ৰং কি কি আৰু কিহৰ ভেটিত এই ৰং লোৱা হৈছে ?

৭. ১৯৫৬-ত ৰুছী ডাকটিকেটত এগৰাকী ভাৰতীয়ৰ চিত্ৰ মুদ্ৰিত হৈছিল। তেওঁনো কোন ?

৮. এগৰাকী ন'বেল-বঁটা বিজেতাক ১৯০৬ চনত বঁটা দিয়া হৈছিল, তেওঁৰ শিষ্যসকলৰ এজনকো পাছৰ বছৰত এই পুৰস্কাৰেৰে সন্মানিত কৰা হৈছিল। তেওঁ কোন আছিল ?

৯. এগৰাকী আমেৰিকাৰ প্ৰেজিডেণ্টৰ কাৰ্য্যকাল আছিল নিচেই কম দিনৰ। তেওঁ কোন ?

১০. 'ডেড ছীৰ' গভীৰতা কিমান ?

১১. 'দ্য ব্লু ক্ৰছ ছোছাইটি অভ্ ইণ্ডিয়া'ৰ প্ৰতিষ্ঠাতা কোন ?

১২. 'দীনবন্ধু' আৰু 'দেশবন্ধু' কাক কাক কোৱা হৈছিল ?

উত্তৰ

১. ক্লডিয়াছ কাৰেছাৰ (চিজৰ) ড্ৰুছাছ জেৰ্মানিকাছ।

২. সুশ্ৰুত।

৩. জগদীশচন্দ্ৰ বসু ; ক্ৰেস্কোগ্ৰাফ।

৪. ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰী (মহাভাৰত)।

৫. ব্ৰাজিল। ৰাজধানী ব্ৰাজিলিয়াত উৰুউৱা ৰাষ্ট্ৰীয় পতাকা বহলে ২২৯'৩ ইঞ্চি আৰু দীঘলে ৩২৮'১ ইঞ্চি।

৬. নীলা, হালধীয়া, সেউজীয়া, ৰঙা আৰু ক'লা। বিশ্বৰ কোনো-নহয় কোনো দেশৰ পতাকাৰ ৰঙৰ লগতে এই ৰং মিলিবই।

৭. কালিদাস।

৮. জে. জে. টমছন।

৯. উইলিয়াম হেনৰি হ্যাৰিছন। তেওঁ ১৯৪১ চনত যেওঁৰ প্ৰাৰম্ভিক ভাষণ দুঘণ্টা জোৰা অবিৰাম বৰষুণত তিতি দিছিল আৰু তাৰ ফলত নিউমোনিয়াৰ কবলত পৰি ৩২ দিনতে ঢুকাইছিল।

১০. ৩৯৫'৯ মিটাৰ। পৃথিৱীৰ গভীৰতম।

১১. মাদ্ৰাজৰ কেপ্টিন ভি. সুন্দৰম, ১৯৬৪ চনত, মাদ্ৰাজত।

১২. ছী. এফ. এণ্ড্ৰুজ আৰু ছী. আৰ. দাশ।

কোলম্বাছতকৈয়ো আগতে…

খ্রিষ্টোফাৰ কোলম্বাছে ১৪৯২ চনত আমেৰিকা অবিষ্কাৰ কৰাৰ পাঁচশ বছৰৰ আগতে, নৰৱেৰ অভিযাত্ৰী লিফ এৰিকছনে গ্ৰিনল্যাণ্ডৰ-পৰা আমেৰিকাৰ কোনোবা এঠাইত পদাৰ্পণ কৰিছিল বুলি জন-বিশ্বাস প্ৰচলিত। এই সমুদ্ৰাভিযানৰ স্মৰণোৎসৱৰ বাবে, নৱম শতিকাত সমুদ্ৰী-দস্যুইতৰ তথা সামুদ্ৰিক লুটিয়াৰইতৰ জাহাজৰ অনুৰূপ 'গৈয়া' নামৰ ভাইকিং জাহাজ এখন ৩ মে'ৰ দিনা নৰৱেৰ-পৰা ওলাই ১০০০ খৃষ্টাব্দত যি সমুদ্ৰ পথেৰে গৈছিল সেই পথেৰে গৈ মোটামুটিভাবে কোলম্বাছ-দিৱসত অৰ্থাৎ ১২ অক্টোবাৰ তাৰিখে আমেৰিকা পাবগৈ বুলি অনুমান কৰা হৈছে।

সম্বাদ-বি-সম্বাদ

অহিংস বিশ্ববিদ্যালয়

আমেৰিকাস্থিত জৈন সম্প্ৰদায়ে নিউজাৰ্চিৰ ব্ৰেয়াৰ্চ টাউনত 'অহিংসা'ৰ বাবে নিবেদিতপ্ৰাণ এক বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধা লোৱা হৈছে। এই বিশ্ব-বিদ্যালয়ে জৈনধৰ্ম আৰু বৌদ্ধধৰ্ম আধাৰত কাম কৰিব। কোস্টা-ৰিকাত থকা 'শান্তি বিশ্ববিদ্যালয়ৰ' আৰ্হিৰে চলি থাকিব আৰু সংস্কৃতি, ইতিহাস, সভ্যতা আৰু মনেজ্ঞানৰ শিক্ষাদান কৰিব। ৱাশ্বিংটনস্থিত আমেৰিকাৰ বিশ্ববিদ্যালয়ত অলপতে টাগোৰ-অধ্যয়নৰ (ৰবীন্দ্ৰ-অধ্যয়ন) অধ্যাপক নিযুক্ত কৰা হ'ব। এই পদত নিযুক্ত অধ্যাপকসকলে ইয়াত ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱন, কৃতি আৰু ৰবীন্দ্ৰ-যুগৰ সম্পৰ্কে বিদ্যাৰ্থীবৃন্দৰ আগতে ভাষণ দিব।



জাহিৰতে জহৰ

অনেক বছৰৰ অন্তত, নিজৰ চাউল টুটি অহাৰ আগজাননী পাই, অমৰৰ দেউতাকে এদিন অমৰক ক'লে, "বোপা, তুমি মন কৰিলে যিকোনো কাম সুকলমে নিজেই কৰিব পাৰা। কোনো ধৰণৰ অন্যায়ক কেতিয়াও কোনো অৱস্থাতে প্ৰশ্ৰয় নিদিবা। সকলোৰে সৈতে সজ আচৰণ কৰিবা, তোমাৰ কোনো দিনে কোনো অভাৱ নহ'ব। সদায় মিঠা ব্যৱহাৰ সকলোৰে সৈতে কৰিবা।"

কিছুদিনৰ পাছত অমৰৰ দেউতাক সিফলীয়া হ'ল।

এদিন অমৰে ৰামশাস্ত্ৰী-নামৰ পণ্ডিত এগৰাকীয়ে ৰাজ-সন্মান প্ৰাপ্ত হোৱাৰ কথা শুনি ৰামশাস্ত্ৰীৰ ঘৰলৈ গ'ল আৰু অমৰে ৰামশাস্ত্ৰীক ক'লে, "মহোদয়, আপুনি মহাপণ্ডিত, ৰাজ-সন্মানৰ বাবে আপুনি প্ৰকৃততেই যোগ্য। আপোনাক দেশৰ ৰজাই সন্মানিত কৰাত আমিও আনন্দিত বোধ কৰিছোঁ।"

অমৰে ৰামশাস্ত্ৰীৰ ঘৰলৈ গৈছিল—যিহেতু তাৰ দেউতাকে কৈছিল 'লোকৰ ভাল হোৱা দেখিলে সদায় আনন্দ প্ৰকাশ কৰিবা'।

কিন্তু অমৰৰ কথাৰ উত্তৰত পণ্ডিত ৰামশাস্ত্ৰীয়ে ভুকু যুৰি কোঁচাই অমৰক ক'লে, "মান সন্মান বা পাণ্ডিত্যৰ বিষয়ে তুমি কি জানাহে? এনেবোৰ নাল লগোৱা কথাৰে হৰমোহন পণ্ডিত বোলাবলৈ আহিছা কেলেইনো? মই ৰাজ-সন্মানৰ যোগ্য হওঁনে নহওঁ—তুমিনো কেনেকৈ বুজিবাহে?"

অমিত ডেকা



ভাল বুলি কৈ ভৰ্ছনা পাই অমৰে আৰু একো নকৈ বেজাৰ মনেৰে গাঁৱলৈ বুলি খোজ ল'লে। বাটত গাঁওবুঢ়া আৰু আৰু অন্যান্য কিছুমান গণ্য-মান্য লোকৰ সৈতে অমৰৰ দেখাদেখি হ'ল। অমৰে এওঁলোকক নমস্কাৰ কৰিলে! মুখেৰে একো নক'লে। এই কথাত গাঁওবুঢ়াৰ উঠিল খং! অমৰলৈ অগ্নিদৃষ্টিৰে চাই গাঁওবুঢ়াই অমৰক ক'লে, "কথানো কি? আমাৰ ভদ্ৰতা তোমাৰ ভাল লগা নাইনে কি? মুখত কোবোৱা দমৰাটোৰ দৰে হৈ আছা যে—?"

এই কথাৰ কি যে উত্তৰ দিব—অমৰে ভাবি নোপোৱা হ'ল। সেইহে সি বেগাই খোজ দি তাৰপৰা গুচি গ'ল।

পাছ দিনা অমৰ ইঠাই-সিঠাই কৰি ঘুৰি ঘুৰি বিমল খেতিয়কৰ ওচৰলৈ গ'ল আৰু বিমলক ক'লে, "বুজিছা বিমল, খেতি-বাতি কৰাত তোমাৰ তুলনা নাই। তোমাৰ হাতত কিবা যাদু থকা যেন পাওঁ। তুমি বীজ ছটিয়ালেই লহপহীয়া হৈ সোণ ওপজে—সোণ!"

বিমলে হাঁহি মাৰি ক'লে, "কি হ'ল হে তোমাৰ, অমৰ? কিবা—বলিয়াই হ'লানে পেটেই চলিল—ঠাৰৰ কৰিব পৰা নাই। হঠাৎ ইমান শলাগনিৰ কাৰণ হে? শলাগতে যে শলাগাঁঠি লাগিব কি পাৰে — নাজানানে কি? তোমাৰ জোলোঙাৰপৰা শলাগ যদি উপচি পৰা হৈছে। গাঁওবুঢ়াক শলাগি থাকাগৈ। তোমাৰ এই শলাগনিৰ আঁৰতেই নিশ্চয় কিবা স্বাৰ্থসিদ্ধিৰো উদ্দেশ্য থাকিব পায়। নহ'লে এই ভণ্ডামী কৰাৰ দৰকাৰেই বা কি?" বিমলে ক'লে।

আনকি একেই স্তৰৰ মানুহকো প্ৰশংসা কৰিলে উপহাস কৰা, চয় কৰা দেখি—আন কাকো প্ৰশংসা নকৰিব বুলি অমৰে বাধ্যত পৰি সিদ্ধান্ত ল'লে।

এদিন অমৰৰ পেটৰ বিষ উঠিল আৰু

লগে লগে এজন বৈদ্যৰ ওচৰলৈ গ'ল। বৈদ্যই তেতিয়া আন এজন আহত বেমাৰীৰ ঘাত পটি বান্ধি আছিল।

অমৰে সুধিলে, "এই আঘাত কেনেকৈ আৰু কেতিয়া লাগিল?"

বেমাৰী মানুহজনে ক'লে যে উদণ্ড ষাঁড়ে এটাই তেওঁৰ এই অৱস্থা কৰিলে। এই কথা শুনি অমৰ মনে মনে থাকিল।

তেতিয়া বৈদ্যই অমৰক ক'লে, "অমৰ, তুমি শুনিও নুশুনাটোৰ দৰে হৈ থাকিলা যে—? বেচাৰাৰ এই অৱস্থাত কমেও মুখেৰে দুষাৰমান সান্ত্বনাৰ কথা ক'ব লাগিছিল। এই সাধাৰণ ভদ্ৰতাজ্ঞানো তোমাৰ মাজত থাকিব নাপায়নে?"

দৈহিক কষ্টত ভুগি থকাইতক সান্ত্বনা দিয়াটো যে কৰ্তব্য—অমৰে জানিলে।

কিছুদিনৰ পাছত ঘৰ এটাত জুই লাগিল আৰু গিৰিহঁতৰ বিস্তৰ ক্ষতি হ'ল। অমৰে ক'লেগৈ, "এস্! বেচাৰা! তোমাৰ এই অৱস্থা দেখি বৰ দুখ পাইছোঁ। একেবাৰে—যাক বোলে সৰ্বনাশ!"

অমৰৰ কথা শুনি গিৰিহঁতৰ গাত চেঙা লাগিল। এয়া যেনিবা কটা ঘাত খাৰণিৰ চাট। গিৰিহঁতে খহটা মাতেৰে ক'লে, "ম'ত যিমান ঘঁটা কোবাই ফুৰা ঘঁটীয়া শিঙৰাবোৰ আছে, ঘঁৰিয়ালৰ দৰে চকুপানী টোকা হৈছেহি; কিন্তু সত্যে সত্যে সহায় কৰোঁতা কোনো বেটা নাই।"



শুনি অমৰে ভাবিলে: তেনেহ'লে— জেপগধুৰ হৈ থাকিলেহে এনেবোৰ অৱস্থাত সান্ত্বনা দিয়া উচিত। পইচাহে আচল কথা, বাকীবোৰ পং!

কিছুদিনৰ অন্তত গাঁৱৰে লাখপতি ললিতবৰাৰ ঘৰত ডাঙৰ ধৰণে চুৰি হ'ল। চোৰে পঁচিছ হাজাৰ টকা লৈ গ'ল। ভালেমানে ললিতবৰাক তেওঁৰ এই দুখত বুজনি দিয়া হ'ল।

অমৰেও কৰ্তব্য হিচাপে ক'লেগৈ, "মহোদয়, হোৱা কথা হৈ গ'ল। কপালৰ আঁক কোনে খণ্ডাব? আপোনাক যদি মই নিঃকিনে কিবা প্ৰকাৰে সহায়-তহায় কৰিব পাৰোঁ—বৰ ভাল পাম। মই আপোনাৰ খেতিমাটিত কাম কৰি সহায় কৰিব পাৰোঁ।"

অমৰৰ কথাত দুখৰ মাজতো খং উঠি ললিতবৰাই অমৰক ক'লে, "তোমাৰ এই আকলি-বাকলিবোৰ শুনিবলৈ মোৰ সময় নাই। পঁচিছ হেজাৰ চোৰে নিলে বুলি মই কিবা পৰি মৰাটো হৈ পৰিলোঁনে যে মোক এতিয়া বাটৰ মগনিয়াৰৰপৰাও সহায় ল'ব লগিব? মোৰ ঘৰত যদি এনেকৈ আৰু দহ-বিছবাৰ চুৰিও হয়, না মামাৰ ঘৰ না পাকৰিৰ তলহেন হোৱাৰ আৰু কেলেহুৱাজাকৰপৰঃ চুকচুকনি শুনাৰ দৰকাৰ তথাপি নহ'ব, বুইছা?"

তাত বৈ থকা জনা-বুজাসকলে অমৰক ক'লে যে দুখ-ভাগৰত পৰা লোকক তেনেকৈ ক'বলৈ নাপায়।

অমৰ বিপত্তিতে পৰা হ'ল। সমাজখনৰ মানুহৰ সৈতে কেনেকৈ যে মিলি-জুলি থাকিব—ভাবি নোপোৱা হ'ল সি।

এইবোৰ কথা ভাবি ভাবি এদিন সি যেতিয়া বৰগছ এজোপাৰ তলত বহি আছিল, তেতিয়া তাত সাধু এজন ক'ৰবাৰপৰা আহিল তালৈ।

সাধুৱে মনমৰা অমৰক সুধিলে, "এনেকৈ আমন-জিমনকৈ বহি আছা কিয়, বোপা?"

অমৰে সাধুক সকলো কথা ভাঙি পাতি ক'লে।

শুনি সাধুৱে মৃহকৈ হাঁহি মাৰি অমৰক ক'লে, "তুমি ভদ্ৰ হৈ থাকিব খুজিছা বুলিহে তোমাক যেনে-তেনে উপলুঙা-উপহাস কৰিছে, বোপা।"

"প্ৰভু! মোৰ দোষ কি—?" অমৰে সাধুক সুধিলে।

"নাই—দেখ দেখকৈ তোমাৰ কোনো দোষ-জগৰ নাই। কিন্তু মানুহৰ এক জন্মগুণ হ'ল এয়ে যে—মানুহে সদায় আনৰ ছিদিৰ ধৰিবই। দুনীয়াৰ এয়ে ৰীতি।" সাধুৱে সান্ত্বনা দিলে অমৰক।

"কিন্তু — সকলোটিৰ সৈতে ভদ্ৰ ব্যৱহাৰ কৰিবলৈ মোৰ দেউতাই মৃত্যুৰ আগে আগে মোক কৈ গৈছিল। মই দেউতাৰ কথা অমান্য কৰাটো উচিত হ'বনে, প্ৰভু?" অমৰে সুধিলে।

"শুনা। মনপুতি শুনা।—কাৰোবাক প্ৰশংসা কৰিব যদি —নিশ্চয় কৰিবা। সহায় কৰিবৰ মন যায় যদি— নিশ্চয় সহায়ো কৰিবা। কিন্তু—কেৱল নিজক 'ভদ্ৰ' বুলি জাহিৰ কৰিবলৈ, কেৱল 'সহানুভূতিশীল' বুলি জাহিৰ কৰিবলৈ এইবোৰৰ পিছে পিছে দৌৰি নাথাকিবা। যদি কোনোবাই সহায় বিচাৰে, তেওঁক সহায় কৰা; যদি কোনোবাই প্ৰশংসনীয় কাম কৰে, তেওঁৰ ওচৰত নহয়, আনৰ ওচৰত সেইজনৰ প্ৰশংসা কৰা। মনত ৰাখিবা — প্ৰশংসা আৰু চাটুবৃত্তি এক বস্তু নহয়। —বুজিছা নহয়? জাহিৰতে জহৰ থাকে—এই কথাটি সদায় মনত ৰাখিবা।" সাধুৱে এই কথাখিনি কৈ গুচি গ'ল!

তেতিয়াহে অমৰৰ জ্ঞানোদয় হ'ল আৰু আগলৈ সাধুৰ পৰামৰ্শমতে কাম কৰা হ'ল। আৰু তেতিয়াৰপৰাহে ৰাইজে অমৰক 'ভদ্ৰ' লোক বুলি কোৱা হ'ল।



পুণ্য ফল কাৰ ?

এনেকৈয়ে এদিন মহামন্ত্ৰী সুমেধক লগত লৈ ছদ্মবেশত ভ্ৰমি থাকি ৰাজ-আলিৰ কাষতে এজোপা গছৰ ছাঁত দুজন বন্ধুৱে কথা পাতি থাকোঁতে খোঁৰা-পেঙুৰা মগনিয়াৰ এজনক দেখা পালে।

প্ৰথম বন্ধুজনৰ জেপত তেতিয়া এটাও পইচা নাছিল মগনিয়াৰজনক দিবলৈ ; সেই কাৰণে—প্ৰথম জনে দ্বিতীয় বন্ধু-জনৰপৰা পইচা খুজি লৈ মগনিয়াৰজনক দিলে। পাছত—ঘৰলৈ উভতি আহি প্ৰথম বন্ধুজনে দ্বিতীয়জন বন্ধুক যেতিয়া খুজি লোৱা পইচাখিনি ঘূৰাই দিবলৈ ল'লে, তেতিয়া দ্বিতীয় বন্ধুজনে ক'লে, "এই পইচা দিব নালাগে, কিয়নো এই পইচা দানৰ পইচা। তুমি সহস্ৰবাৰ দিব খুজিলেও মই পইচাখিনি ঘূৰাই নলওঁ।"

এই ঘটনাত মহাৰাজ সৰ্বোত্তম গভীৰ চিন্তাত সোমাই পৰিল। এই বন্ধু দুজনৰ মাজত দানৰ পুণ্যফল কোনজন বন্ধুৱে পাব—মহাৰাজে বহু সময় ধৰি ভবা-গুণা কৰিও সমাধান কৰিব নোৱাৰিলে।

ঘটনাটোৰ কথা ৰজাই ৰাজসভাত বিবৰি কোৱাৰ অন্তত পাৰিষদ তথা পণ্ডিতবৰ্গৰপৰা এই বিষয়ে সমাধান বিচাৰিলে — এই ক্ষেত্ৰত বন্ধু দুজনৰ মাজত দানৰ পুণ্যফল কোনে পাব ?

বহু ভাবি বহুত চিন্তি কিছুমান পাৰিষদে মতামত দিলে যে যিহেতু প্ৰথমজন বন্ধুৱে দান কৰিছিল, দানৰ পুণ্যফলও তেওঁৱেই পাব। আন এজনে ক'লে, পইচাখিনি যাৰ, পুণ্যফলো তাৰ।"

অন্য কিছুমানে নাকৰ বিন্ধাত নাচগুড়ি

গোমতী গগৈ

ভৰাই মগজু খোলোচা কৰি লৈ নিৰহ নিৰহকৈ ক'লে, "দান কৰিলে ইজনে, ধন দিলে সিজনে, পুণ্য পাব দুজনে।"

কিন্তু পাৰিষদ সকলৰ এনেবোৰ মতামত মহাৰাজ সৰ্বোত্তমৰ পছন্দ নহ'ল। তেওঁ ক'লে, "আপোনালোকৰ কোনো এজনৰো উত্তৰৰ কোনো স্পষ্টতা নাই। আপোনালোকক সময় দিয়া হৈছে, আকৌ ঘুৰিৰেপৰাই ভাবি চাওক। যুক্তি-ভিত্তিক সমাধান দিয়ক।"

পাৰিষদসকলে পুনৰ চিন্তা কৰিবলৈ ধৰিলে, কিন্তু কোনো সন্তোষজনক সমাধানৰ পথলৈ আগ বাঢ়িব নোৱাৰিলে।

তেতিয়া মহাৰাজ সৰ্বোত্তমে মহামন্ত্ৰী সুমেধলৈ চালে আৰু ক'লে, "মহামন্ত্ৰী, বিষয়টো আপুনি স্বয়ং প্ৰত্যক্ষ কৰিছিল। এই বিষয়ে আপোনাৰ মত কি!"

"মহাৰাজ! ধন থাকিলেই দান কৰিব যে—তাৰ অৰ্থ নাই। আচল কথা হ'ল দান কৰাৰ মন, ধন নহয়। মোৰ বিচাৰত —প্ৰথমজন বন্ধুৱেই দানৰ পুণ্যফল সুনিশ্চিতভাবে পাব লাগে।"

এই কথাৰ উত্তৰত ৰজাৰ বিদূষক ধাৰাহাস্যই কৈ উঠিল, "মহাৰাজ! মাননীয় মহামন্ত্ৰীৰ মতামতৰ সৈতে আধা-খিনিলৈকে মই একমত। কিয়নো—দান কৰিছিল প্ৰথম বন্ধুজনে। কিন্তু—দানৰ ধন আন এজনৰপৰা সৰকোৱাৰ পাপেও

স্পৰ্শ কৰিব প্ৰথমজন বন্ধুক। গতিকে—"

মহাৰাজ হো হো কৰে হাঁহি উঠিল, আৰু তেওঁ মহামন্ত্ৰীলৈ চালে।

মহামন্ত্ৰী সুমেধদেউৱে মহাৰাজৰ ব্যংগ হাঁহিৰ অৰ্থ হৃদয়ংগম কৰি মৃহুকৈ হাঁহি মাৰি মহাৰাজ সৰ্বোত্তমক ক'লে, "প্ৰথমজন বন্ধুৱে দ্বিতীয়জন বন্ধুৰপৰা পইচা সৰকাইছিল—এই কথা কোৱাৰ কোনো যুক্তি নাই; কিয়নো—প্ৰথমজন বন্ধুৱে দ্বিতীয়জনৰপৰা খুজি লোৱা পইচাখিনি পৰিশোধ কৰিবলৈ ইচ্ছুক আছিল। দ্বিতীয়জন বন্ধুৱে অৱশ্যে পইচাখিনি ঘূৰাই লোৱা নাছিল; কিন্তু সেই সিদ্ধান্ত আছিল তেওঁৰ নিজৰ সিদ্ধান্ত। গতিকে—পইচা সৰকোৱাৰ প্ৰশ্নও নুঠে, বা সেই পাপে স্পৰ্শ কৰাৰো প্ৰশ্ন নুঠে।"

এই কথাৰ উত্তৰত বহুৰা ধাৰাহাস্যই পুনৰ ক'লে, "তেনেহ'লে—এই দানকাৰ্য্যত দ্বিতীয়জন বন্ধুৱে কিনো পোৱা হ'ল? তেওঁৰ ধন খৰচ হ'ল। প্ৰথমজন বন্ধুক তেওঁ ধন দিলে, ঘূৰাই নল'লে। গতিকে—কমেও দানৰ পুণ্যফলকণ দ্বিতীয়জনে পাব লাগে।"

মহামন্ত্ৰীয়ে ক'লে, "এই বিচাৰ সঠিক নহয়। কিয়নো দান কৰাৰ চিন্তা দ্বিতীয়জন বন্ধুৱে কৰা নাছিল, কৰিছিল প্ৰথমজন বন্ধুৱে। এই দানৰ ঘটনাত দ্বিতীয় বন্ধু নিমিত্তমাত্ৰ। পইচাখিনি ঘূৰাই ল'বলৈ দ্বিতীয়জন বন্ধুৱে অস্বীকাৰ কৰিছিল নিজেই। গতিকে—এই দায়িত্বও তেওঁৰ নিজৰেই। দানৰ অভিপ্ৰায় নথকা কোনোবাই কেৱল জেপত ধন থকাৰ কাৰণেই দানৰ পুণ্যফলৰ অধিকাৰী নিশ্চয় হ'ব নোৱাৰে।"

এই উত্তৰ শুনি বিদূষক ধাৰাহাস্যৰ মুখৰ মাত হৰিল। মহাৰাজেও মহামন্ত্ৰীৰ উত্তৰত তুষ্ট হ'ল আৰু প্ৰকাশ্য ৰাজসভাত মহামন্ত্ৰীৰ মান ধৰিলে।

১৭

হনুমানে সীতাদেৱীলৈ ধ্যান কৰিলে, প্ৰণাম জনালে আৰু তাৰ পাছত ক'লে ঃ "মোক মহেন্দ্ৰ পৰ্বতৰপৰা উৰি যোৱা তোমালোকে দেখা পাইছিলা নিশ্চয়। যেতিয়া মই আকাশপথেদি গৈ আছিলোঁ, তেতিয়া অকস্মাৎ এক স্বৰ্ণশিখৰযুক্ত পৰ্বতচূড়া মোৰ পথ ভেদি উঠি থকাত প্ৰথমতে এই চূড়াক চূৰ্ণ কৰাৰ কথা ভাবিলোঁ, কিন্তু পাছত মোৰ সিদ্ধান্ত সলালোঁ। কিয়নো অতি সম্ভ্ৰমৰে সেই চূড়াটিয়ে মোক ক'লে যে মোৰ পিতা পৱনদেৱতাই ইন্দ্ৰৰ পাঁজৰেৰে তাক স্ৰজিছিল, আৰু তাৰ নাম হ'ল মৈনাক। মৈনাকে শ্ৰীৰামচন্দ্ৰৰ আৰব্ধ কাৰ্য্যতো সহায় কৰিব খুজিলে। মই ক'লোঁ যে মোৰ কিছু খৰখেদা আছে, গতিকে মই ৰ'ব নোৱাৰিম। মৈনাকৰপৰা বিদায় লৈ পুনৰ উৰাৰ লগে লগেই সৰ্পমাতা সুৰসাই মোক গিলি খাবলৈ হুমিয়ালেহি আৰু মই সুৰসাকো মোৰ জৰুৰী কামৰ কথা ক'লোঁ। মই ক'লোঁ যে —মোৰ বৰ্তমান যাত্ৰাৰ উদ্দেশ্য ফলৱতী হোৱাৰ লগে লগে মই পুনৰ ইয়ালৈ আহিম আৰু সুৰসাই তেতিয়া মোক ইচ্ছামতে গিলি খাব পাৰিব। কিন্তু মোৰ কথা সুৰসাই অগ্ৰাহ্য কৰাত মই প্ৰায় বিন্দুৱৎ ক্ষুদ্ৰ হৈ সুৰসাৰ মুখেদি সোমাই পুনৰ মুখেদিয়েই ওলাই আহিলোঁ। তেতিয়া সুৰসাই মোক মোৰ কামত

'মধুবন বিধ্বংসন'

আশীৰ্বাদ কৰিলে আৰু মোৰ বাট এৰি দিলে। তাৰ পাছত পুনৰ উৰিলোঁ। কিন্তু এইবাৰ মোৰ ছায়াটোকে সাগৰ-ৰাক্ষসী সিংহিকাই টানি ধৰাত বাধ্যত পৰি সিংহিকাৰ পেটৰ ভিতৰলৈ সোমাই তাইৰ কলিজা ফাড়ি ওলাই আহিলোঁ।

"তাৰ পাছত মই লংকা নগৰী পালোঁগৈ। মই যথাসম্ভৱ গুপ্তভাবে লংকালৈ প্ৰবেশ কৰিলোঁ। কিন্তু তথাপি এক বৃহদাকাৰ ৰাক্ষসী মোৰ বাট ভেটি থিয় দিয়াত তাইকো বাধ্যত পৰি বধিলোঁ।

"তাৰ পাছত মই সীতামাতৃক অন্বেষি থাকিলোঁ। ৰাৱণৰ প্ৰাসাদত তন্ন তন্নকৈ বিচাৰিও সীতামাতৃক ক'তো দেখা নাপালোঁ। গৈ গৈ এডৰা উদ্যান পালোঁগৈ, আৰু তাতেহে মই ৰাক্ষসী পৰিবৃতা শোকাহতা সীতাদেৱীক দেখা পালোঁ।

"সীতাদেৱী হ'ল মহান পতিব্ৰতা। তেওঁক দেখামাত্ৰেই মোৰ মন-প্ৰাণ ভক্তিৰে আপ্লুত হ'ল। তেওঁ প্ৰকৃততেই বীৰ-পত্নী। মই তেওঁক তাৰপৰা উদ্ধাৰ কৰি লৈ আহিব খোজাত তেওঁ ক'লে যে তেওঁ এইদৰে ইয়াৰপৰা পলাই যাবলৈ বাঞ্ছা নকৰে; পতি ৰামচন্দ্ৰই দুষ্টমতি ৰাৱণক বধি তেওঁক বীৰতাৰে উদ্ধাৰি লৈ যাব বুলিহে তেওঁ বাঞ্ছা কৰে।"

তাৰ পাছত হনুমানে পুনৰ ক'লে:

"এতিয়া—আপোনাসৱক মই এটি প্ৰস্তাৱ দিওঁ। সম্ভৱ হ'লে এই প্ৰস্তাৱ কাৰ্যকৰী কৰিব বুলি আশা কৰিছোঁ। আমি যদি ইচ্ছা কৰোঁ, ৰাৱণক বধ কৰি সীতাদেৱীক উদ্ধাৰি আনি সীতাদেৱীৰে সৈতে ৰাম-লক্ষ্মণৰ আগত ওলাম—এয়ে মোৰ ইচ্ছা। প্ৰকৃতপক্ষে—ৰাৱণৰজাক মই অকলেই হেলাৰঙে বধিব পাৰোঁ। ইন্দ্ৰজিতৰ অস্ত্ৰই মোৰ একো অনিষ্ট কৰিব নোৱাৰে। লাগিলে ইন্দ্ৰজিতকো অনায়াসে বধ কৰিব পাৰিম। জাম্বৱন্ত আৰু অংগদে অন্যান্য বৰ বৰ ৰাক্ষস বীৰক এহাতেৰেই

বধিব পাৰিব। অৱশ্যে—কোনেও বধিব নোৱাৰা বৰ প্ৰাপ্ত মহাবলী ৰাক্ষসো কিছুমান নথকা নহয়, আছে। মৈন্দ্য আৰু দ্বিবিদ এই শ্ৰেণীৰ বীৰ ৰাক্ষস। এই বিষয়ে আপোনালোকৰ মত কি?"

অংগদে তৎক্ষণাৎ সন্মতি প্ৰকাশ কৰি ক'লে, "মই সন্মত। এই কথা ঠিক যে—প্ৰদত্ত সময় পাৰ হৈ যোৱাত এতিয়া সীতাৰে সৈতে ৰাম-লক্ষ্মণ তথা আমাৰ ৰজা সুগ্ৰীৱৰ সমীপলৈ যোৱা হ'লেহে সকলোফালৰেপৰাই উত্তম কথা হ'ব।"

তেতিয়া জাম্বৱন্তই অংগদক ক'লে, "তোমাৰ বক্তব্য ঠিকেই আছে। কিন্তু এটা বিশেষ কথালৈ মন কৰিছানে? ৰামচন্দ্ৰৰ আদেশ পালন কৰাহে আমাৰ কাম, আত্ম-গৌৰৱ প্ৰদৰ্শন নহয়। ৰামচন্দ্ৰই বানৰ-সকলক কৈছিল সীতা কোন ঠাইত আছে চাই আহিব লাগে। আৰু সীতাদেৱীয়ে যে হনুমানৰ সৈতে লংকাৰপৰা আহিব খোজা নাছিল, হনুমানেই কৈছিল।"

জাম্বৱন্তৰ যুক্তিপুৰ্ণ কথাত সকলো একমত হ'ল, আৰু সকলো বানৰ তেতিক্ষণেই ৰামচন্দ্ৰৰ সমীপলৈ যাবলৈ সাজু হ'ল।

সকলো বানৰেই আকাশপথেৰে গৈ গৈ মাটিৰ স্বৰ্গ বুলি অভিহিত নন্দনকানন



—মধুবন পালেগৈ। মধুবন ৰক্ষাৰ কাৰণে সুগ্ৰীৱে তেওঁৰ মোমায়েক দধিমুখক নিযুক্ত কৰিছিল মধুবনৰ প্ৰধান পহৰীয়া ৰূপে।

মধুবনৰ পায়েই বানৰসকলে মধু পান কৰিবলৈ অংগদৰপৰা অনুমতি প্ৰাৰ্থনা কৰিলে। অংগদে এই অনুমতি দিলে আৰু স্বয়ং এই আনন্দত যোগদান কৰি বানৰসকলৰ আনন্দ বঢ়ালে।

তৎপৰ বানৰসকলে আকণ্ঠ পান কৰাত লাগি পৰিল। মধু পান কৰাৰ অন্তত কিছুমান বানৰে বলিয়াৰ দৰে আচৰণ কৰি থাকিল। কিছুমানে কেৱল হো হোৱাই হাঁহি থাকিল, কিছুমানে কান্দিও



থাকিল। কিছুমানে মধুবনতে জঁপিয়াই থাকিল, কিছুমানে লম্ফ মাৰি মাৰি আকাশলৈ উঠি আকৌ মধুবনৰ মাটিত পৰি লুটি-বাগৰ খাই থাকিল। কিছুমান বানৰে ৰাউচি জুৰিলে, কিছুমানে কেৰল উগাৰ ছাৰিলে। কিছু কিছু বানৰে নিজ নিজ গুপুত প্ৰেমৰ নানান কথাও ফ দিল কৰিলে।

এইদৰে মধুবনৰ মধু বানৰবিলাক নিঃশেষে পান কৰি থাকিল, আৰু লগতে মধুবনৰ বৃক্ষবোৰো চাঁহি-মুহি তৰ্নাস্তি কৰি থাকিল।

এনেবোৰ উদ্ভুগুলি দেখি দধিমুখ অগ্নিমুখ হৈ উঠিল আৰু সকলো বানৰক তেতিয়াই মধুবন এৰি গুচি যাবলৈ ক'লে। কিন্তু দধিমুখৰ কথালৈ কোনেও মনেই নকৰা হ'ল। তেতিয়া দধিমুখে বানৰবিলাকক শান্তিপূৰ্ণভাবে মধুবনৰপৰা উলিয়াই দিবলৈ চেষ্টা কৰি থাকিল। কিন্তু দধিমুখ পুনৰ ব্যৰ্থ হ'ল আৰু দধিমুখৰ ভদ্ৰতাকে দুৰ্বলতা বুলি ভাবি মদমত্ত বানৰবিলাক দধিমুখৰ ওপৰত উগ্ৰ হৈ উঠি দধিমুখকে অত্যাচাৰ কৰিবলৈ ধৰিলে।

হনুমানে সেই বানৰসকলৰ ক'লে, "তোমালোকে ইচ্ছা মতে মধু-পান কৰাঁ, কোনে কি কৰে মই চাম।"

"হনুমানে বেয়াতকৈও বেয়া কাম কৰিবলৈ কয় যদি—মই তাকো নিশ্চয় কৰিম। পিছে—ভাল কাম কৰিবলৈ কয় যদি কিয় নকৰিম?" নিচাগ্ৰস্ত অংগদে নিজে নিজেই ক'লে।

অংগদৰ কথাত মদমত্ত বানৰবিলাকে উল্লাস প্ৰকাশ কৰি চিঞৰি উঠিল। এইবাৰ বানৰবিলাকে মধুবনৰ বৃক্ষশাখাত যিমান ফল আছিল--খাই থাকিল। তেতিয়া আৰু বানৰবিলাকক বাধা দিব পৰা কোনো নাছিল। মধুবন বিধ্বংসন প্ৰায় সম্পূৰ্ণ হৈছিল।

এনে ঘোৰ অন্যায় সহিব নোৱাৰি

দধিমুখে তেওঁৰ সৈন্যবিলাকক গোটাইলৈ মদমত্ত বানৰবিলাকৰ বিৰুদ্ধে যুঁজ দিবলৈ সাজু হ'ল।

দধিমুখ আছিল অংগদৰ ককায়েক। কিন্তু তথাপি মদমত্ত অংগদে ককায়েক দধিমুখক দাদৰি খোৰা কৰি তুলিলে।

বাধ্যত পৰি দধিমুখ বানৰৰাজ সুগ্ৰীৱৰ ওচৰলৈ লৰৰি গ'ল আৰু সকলো কথা বিস্তাৰিত ক'লে।

দধিমুখে সখেদে মন্তব্য কৰিলে, "ঋক্ষৰাজৰ কালত, বা তোমাৰ আমোলতো মৰ্ত্যৰ অনুপাম নন্দনকানন মধুবনৰ বন-বিৰিখ বিধ্বংস কৰাৰ কথা বাদেই—স্পৰ্শ কৰিবলৈকো কোনো সাহসী নহৈছিল। এতিয়া যে কেনে দুৰ্ঘোৰ অন্যায় হৈছে অংগদাদি বানৰে মধুবন কেনেকৈ যে উবাৰিছে, চকুৰে নেদেখিলে তাৰ লেখ লোৱা টান। মোৰ কথা বাদেই দিয়া, আনকি তোমাৰ প্ৰতিও ইহঁতৰ মনত ডৰ-ভয় নাই বুলিয়েই অনুমান হৈছে।"

দধিমুখ যেতিয়া সুগ্ৰীৱৰ ওচৰলৈ লৰৰি আহিছিল, তেতিয়া ৰামচন্দ্ৰ আৰু লক্ষ্মণো তাতেই আছিল। লক্ষ্মণে সুগ্ৰীৱক সুধিলে, "দধিমুখৰ ইমান দুঃখিত হোৱাৰ হেতু কি?

তেতিয়া সুগ্ৰীৱে লক্ষ্মণক ক'লে, "সীতাক বিচাৰি উলিয়াবলৈ আমি যিসকল বানৰক দক্ষিণ দিশলৈ প্ৰেৰণ কৰিছিলোঁ, সেইসকল বানৰেই মধুবনলৈ প্ৰবেশ কৰি মধু পান কৰি মত্ত হোৱাত দধিমুখ নিৰতিশয় দুঃখিত হৈছে। মোৰ ধাৰণা, এই বানৰবোৰে, বা হয়তো কেৱল হনুমানে—সীতাক বিচাৰি উলিয়াব পৰা হৈছে। নহ'লে ইমান মদমত্ততা বানৰহঁতৰ পক্ষে নসম্ভৱে। সীতাক অন্বেষি উলিওৱাৰ কাৰ্য্য কেৱল সেই হনুমানেইহে কৰিব পাৰিব—মোৰ সুদৃঢ় বিশ্বাস—এই কাৰ্য্যত দ্বিতীয় কোনো নাই-নোলাব। জাম্বৱন্ত, অংগদ আৰু হনুমন্ত এক হ'লে সিহঁতৰ পক্ষে জগতত অসাধ্য কোনো কাম নাই,

সিহঁতক পৰাজিত কৰিব পৰাও ক'তো কোনো নাই। লক্ষ্মণ, তুমিও ভাবি চোৱা, এই মধুপানৰত বানৰবিলাকে সীতাৰ সম্ভেদ নোপোৱাহেঁতেন আনন্দত ইমান উন্মত্ত হৈ উঠিলহেঁতেননে? মধুবন হ'ল— স্বয়ং ব্ৰহ্মা-প্ৰদত্ত মোৰ পিতাদেউক দিয়া বন।"

সুগ্ৰীৱে দধিমুখক ক'লে, "বানৰবিলাকে মধুপান কৰি আছে — কৰি থাকক, সিহঁতক মধু-পান কৰিবলৈ দিয়া। কিন্তু সিহঁতে সীতা-অন্বেষণৰ কাৰ্য্য কিমান-কি কৰিলে, তাৰ সম্বাদ আমাক এতিয়াই লাগে।"

সুগ্ৰীৱৰ কথা শুনি বানৰসকলক শাস্তি-প্ৰদানৰ চিন্তা দধিমুখৰ মস্তিষ্কৰপৰা কফূৰৰ দৰে উৰি গ'ল। দধিমুখে সুগ্ৰীৱৰপৰা বিদায় লৈ তৎক্ষণাৎ পুনৰ মধুবন পালেগৈ আৰু মধুবন পাই দধিমুখে অংগদক ক'লে, "অংগদ, মোৰ এই লগৰীয়াবিলাকে তোমালোকক যে কিঞ্চিত মাৰ-পিট কৰিছিল সেই কথা সমূলি পাহৰি পেলোৱা, আৰু এই বাবে খেদ নকৰা। তুমি হ'লা যুৱৰাজ, এই মধুবনত তোমাৰ পূৰ্ণ অধিকাৰ। দোষ আমাৰহে হৈছে, আমাক ক্ষমা কৰি দিয়া। তোমালোক দক্ষিণ-দিশৰপৰা উভতি অহাৰ সম্বাদ শুনি ৰজা সুগ্ৰীৱ যৎপৰোনাস্তি আনন্দিত। তেওঁ তোমালোকক অনতিবিলম্বে তেওঁৰ ওচৰলৈ যাবলৈ কৈছে।"

অংগদে বানৰসকলক ক'লে, "আমাৰ ইয়ালৈ অহাৰ সম্বাদ শ্ৰীৰামচন্দ্ৰয়ো পোৱা হৈছে যেন পাইছোঁ। গতিকে— আমি আৰু অযথা সময় নষ্ট নকৰি দ্ৰুতগতিৰে তালৈ যোৱা উচিত হ'ব। মধু পান কৰি তোমালোকে নিশ্চয় এতিয়া বেছ তজবজা বোধ কৰিছা। ইয়াত আমাৰ আৰুনো কি সকাম আছে?"

এই বুলি কৈয়েই অংগদে আকাশলৈ মাৰিলে উৰা, আৰু লগে লগে শত-সহস্ৰ

বানৰেও তাকেই কৰিলে।

ঠিক তেতিয়াই সুগ্ৰীৱে ৰামচন্দ্ৰক কৈ আছিল, "সিহঁতে যে সীতাক অন্বেষি উলিয়ালে—সেই কথাত অলপো সন্দেহ নাই। আমাৰ প্ৰদত্ত সময়সীমা অতিক্ৰান্ত হোৱা সত্বেও যে সিহঁত উভতি অহা নাছিল, তাৰ কিছু অৰ্থ নিশ্চয় আছে। আৰু যথেষ্ট আনন্দৰ হেতু নথকাহেঁতেন সিহঁতে মধুবন বিধ্বংস কৰাৰ দৰে আনন্দোন্মাদ নহ'লহেঁতেন; আৰু—আৰব্ধ কাৰ্য্য সম্পাদন নকৰাকৈ অংগদেও মোৰ মুখদৰ্শন নকৰিলেহেঁতেন। মোৰ ধাৰণা, হে মিত্ৰ, তোমাৰ দুশ্চিন্তা বহুলাংশে দূৰীভূত হ'ল।"

ঠিক সেই মুহূৰ্ত্তত আকাশত শত-সহস্ৰ বানৰৰ কোলাহল শুনা গ'ল আৰু লগে লগে সিংহনাদ কৰি আকাশৰপৰা হনুমান নাৰি আহিল।

হনুমানে ৰামচন্দ্ৰক সাষ্টাংগে প্ৰণাম কৰি ক'লে, "মই সীতা মাতৃৰ দৰ্শনলাভ কৰিছোঁ। তেওঁ কুশলতে আছে।"

ৰামচন্দ্ৰই হনুমানক তেওঁৰ কাষত বহুৱাই ল'লে।

তিমানতে অসংখ্য বানৰ তালৈ নামি আহিছিল। ৰামচন্দ্ৰই বানৰসকললৈ সুধিলে, "কোৱা, সীতা এতিয়া ক'ত আছে —সবিস্তাৰ কোৱা।"

বানৰসকলে হনুমানলৈ চাই ক'লে, "তুমিয়েই কোৱা।"

তেতিয়া হনুমানে শ্ৰীৰামচন্দ্ৰক সকলো কথা শুৰিৰেপৰাই ক'লে আৰু তাৰ পাছত সীতা-প্ৰদত্ত চূড়ামণিধাৰ ৰামচন্দ্ৰক দিলে।

সেই চূড়ামণি বক্ষত ধাৰণ কৰি ৰামচন্দ্ৰ অশ্ৰুসাগৰত উটি থাকিল, আৰু উচুপি উচুপি কৈ থাকিল, "এই চূড়ামণিয়েই সীতা ৰূপে মোৰ অন্তৰত অকল্পনীয় আবেগৰ ঢৌ সৃষ্টি কৰিছে আৰু মই আপ্লুত হৈছোঁ।"

বুদ্ধি

এদিন শিৰীষনগৰ ৰজা বিজয়বৰ্ধনদেৱে ভাবিলে ঃ আমাৰ ৰাজ পৰিয়ালেয় কোন আটাইতকৈ বুদ্ধিমান—জানি লোৱা ভাল হ'ব।

ভবা মতে এদিন তেওঁ সকলো পাৰিষদ, ৰাজকৰ্মচাৰী, লিগিৰা-লিগিৰী আদিক একেঠাই কহি সুধিলে, "মই যদি তোমালোকক মোৰে সৈতে অগ্নিকুণ্ডলৈ জাঁপ দিবলৈ কওঁ—জাঁপ দিবানে ? নাইবা—যদি মোৰ লগে লগে সাগৰলৈ জঁপিয়াই পৰিবলৈ কওঁ—পৰিবানে ?"

ৰজাৰ এনে আওপকীয়া-বেতেৰিবন্ধীয়া কথা শুনি সকলোটিয়েই ভেবা লাগি লেবা হ'ল ; তেতিয়া শিৱৰাজ নামৰ কৰ্মচাৰী এজনে থিয় হৈ ক'লে, "মহাৰাজ ! আপোনাৰ সৈতে অগ্নিকুণ্ডলৈ মই তৎক্ষণাৎ জাঁপ দিব পাৰিম ; কিন্তু সাগৰলৈ জঁপিয়াই পৰিবলৈ মোক পোন্ধৰ দিনমান সময়ৰ আৱশ্যক হ'ব।"

তেওঁ শিৱৰাজক সুধিলে, "কিয় ?"

তেতিয়া শিৱৰাজে ক'লে, "ক্ষমা কৰিব, মহাৰাজ ! মোৰ ল'ৰা-ছোৱালী আছে, জীয়াই থকাৰ ইচ্ছা পূৰাদমেই আছে। আপুনি নিজেও জুইত জাঁপ নিদিয়ে, ময়ো দিব নালাগে—দেখা কথা। গতিকে অগ্নিকুণ্ডলৈ জাঁও দিবলৈ কোনো বিপদেই নাই। কিন্তু—আপুনি সাঁতুৰিব জানে, মই নাজানো। গতিকে—সাগৰলৈ যদি আপুনি সঁচাসঁচিকৈয়েই জঁপিয়ায়—সাঁতুৰি সাৰি যাব, মই সাঁতুৰিব নজনাইসাঁতোৰ শিকিবলৈহে পোন্ধৰটা দিন লাগিব।"

শিৱৰাজৰ উত্তৰত ৰজাই বৰ আমোদ পালে আৰু প্ৰকাশ্য ৰাজসভাত ৰাজ-পৰিয়ালৰ সৰ্বশ্ৰেষ্ঠ বুদ্ধিমান ৰূপে শিৱৰাজৰ মান ধৰিলে।



মকৰা-হিচাপ

এদিন ফুলেন আৰু ৰূপেন নামৰ যাত্ৰী দুজনে একেলগে এখন খাজিখোৱাত আশ্ৰয় ল'লে। পাছ দিনা যেতিয়া সিহঁতৰ যাবৰ সময় হ'ল, তেতিয়া খাজিখোৱাৰ গৰাকিয়নীয়ে দীঘলীয়া বাটত খোৱাৰ বাবে দুয়োকো টোপোলাত ৰুটি বান্ধি দিলে।

ফুলেন আছিল কিছুখিনি উদাৰমনা মানুহ, আৰু ৰূপেন আছিল ঠেকমনা আৰু চিপিৰাকটীয়া — কিৰ্পিণৰো কিৰ্পিণ। সেইবাবে খাজি-খোৱাৰ সেই গৰাকিয়নীয়ে ফুলেনৰ টোপোলাত তিনিখন আৰু ৰূপেনৰ টোপোলাত মাত্ৰ দুখন ৰুটি বান্ধি দিছিল।

ফুলেন আৰু ৰূপেন একেলগেই গৈ থাকিল।

গৈ গৈ সিহঁত ডাঙৰ পুখুৰী এটাৰ পাৰত গছ এজোপাৰ ছাঁত বহিল। পুখুৰীৰ পানীৰে হাত-মুখ ধুই আহি ৰুটি খাবলৈ বহি দিলে আৰু নিজৰ নিজৰ ৰুটিৰ টোপোলা খুলিলে।

"দেখিছানে? দেখিছানে খাজিখোৱাৰ মালিকনী বুঢ়ীৰ পক্ষপাতিতা দেখিছানে? মোৰ টোপোলাত ৰুটি—মাত্ৰ দুখনহে!" ৰূপেনে খঙেৰে ক'লে।

এই কথা শুনি ফুলনে মৃদুকৈ হাঁহিলে আৰু ক'লে, "হে যাব দুখনেৰেই। আৰু নহয় যদি—মোৰ তিনিখন আৰু তোমাৰ দুখন মিলাই আধাআধিকৈ ভগাই খালেই হৈ যাব।"

ঠিক তেতিয়াই ক'ৰবাৰপৰা আন এজন মানুহ তাত ওলালহি। মানুহজনে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

হেঁপাই-ফোঁপাই ক'লে, "ভাইসকল, মোৰ নাম উপেন। মই বহু দূৰৰপৰা আহিছোঁ, ভোকত মই চকুৰে বাট নেদেখা হৈছোঁ। মোকো আপোনালোকৰ ভাগৰপৰা অলপ খাবলৈ দিয়ক।"

"আহক আহক, বহি যাওক, যি আছে, তিনিও ভগাই খাম, হৈ যাব।" ফুলেনে ক'লে।

তিনিওজনে পাঁচখন কটি ভগাই খালে। খোৱাৰ অন্তত উপেনে ফুলেনৰ হাতত পাঁচ অনা পইচা গটাই দিলে। ফুলেনে পইচা ল'বলৈ ঘোৰ আপত্তি দৰ্শোৱা সত্বেও উপেনে পইচা পাঁচঅনা জোৰ কৰি জেপত ভৰাই দিলে আৰু তাৰ পাছত বাৰে বাৰে অন্তৰৰ অকৃত্ৰিম কৃতজ্ঞতা প্ৰকাশ কৰি খোজ ল'লে।

এই পাঁচ অনাৰপৰা ফুলেনে ৰূপেনক দুঅনা দিলে আৰু ক'লে, "এই দুঅনা হ'ল তোমাৰ ভাগৰ পইচা। মোৰ ৰুটি আছিল তিনিখন। গতিকে মোৰ ভাগত তিনি অনা পৰিল।"

"এয়া অন্যায় কথা। অমি উপেনৰ ওচৰত ৰুটিখিনি বেচা নাছিলোঁ, সি নিজৰ কৃতজ্ঞতাহে প্ৰকাশ কৰিলে পাঁচ অনা পইচাৰে। এই কাৰণে—এই পইচা যিহেতু ৰুটি-বেচা পইচা নহয়। আমাৰ দুয়োৰে



সমান ভাগ সমান অধিকাৰ সেই পইচাত। তোমাৰ আঢ়ৈ অনা, মোৰো আঢ়ৈ অনা পাওনা। এয়ে হ'ব সঠিক।"

কিন্তু সি আৰু আধা অনা খুজিলে।

আধা অনা থাকিলনে গ'ল তাৰ বাবে কোনো চিন্তা-দুশ্চিন্তা ফুলেনৰ মনত নাছিল, কিন্তু ৰূপেনৰ লোভৰ কাৰণে তাৰ খং উঠিল।

ফুলেনে ৰূপেনক ক'লে, "তেনেহ'লে—এই কথাৰ মীমাংসাৰ বাবে এই গাঁৱৰ গাঁওবুঢ়াৰ ওচৰলৈ যাওঁ ব'লা। গাঁওবুঢ়াই যি ক'ব সেয়ে হ'ব।"

গাঁওবুঢ়াই দুয়োজনৰ কথা ধৈৰ্য্যৰে

শুনিলে আৰু ৰূপেনলৈ চাই ক'লে, "মোৰ বিচাৰ শুনা। উপেনে দি থৈ যোৱা পাঁচ অনা পইচাৰপৰা তুমি সৰ্বমুঠ এক অনাহে পাবা, আৰু ফুলেনে পাব চাৰি অনা। গতিকে— তুমি সেই দুঅনাৰপৰা আৰু অলপো পলম নকৰি এতিয়াই ফুলেনক এক অনা ঘূৰাই দিয়া।"

শুনি ৰূপেনৰ ৰাই-কই বন্ধ হ'ল। আধা অনা তো পোৱা নাযাবই, তাৰ জেপৰপৰা নগদে এক অনা যাবগৈ! কেনেকৈনো সহিব?

"কিনো কৈছে হেৰি, ইনো ক'ৰ আইন? আমাৰ ৰুটিৰ সংখ্যালৈ হিচাপ কৰি চালেও মোৰ দুঅনা পইচা প্ৰাপ্য হ'ব লাগে দেখোন!" ৰূপেনে ৰাউতমুৰাটো হৈ গাঁওবুঢ়াক ক'লে।

"বাৰু, তোমালোকে ৰুটি কেনেকৈ ভগাইছিলা ক'বানে?"

"প্ৰতিখন ৰুটি তিনি টুকুৰাকৈ ভগোৱা হৈছিল, পাঁচখন ৰুটিৰে পোন্ধৰ টুকুৰা হৈছিল আৰু আমি সেই ৰুটিৰ টুকুৰাবোৰ গাইপতি পাঁচ টুকুৰাকৈ লৈছিলোঁ।" ৰূপেনে ক'লে।

"বাৰু, তোমাৰ ৰুটি দুখন কেইটুকুৰা হৈছিল?" গাঁওবুঢ়াই সুধিলে।

"ছটুকুৰা।"

"তাৰপৰা তুমি পাঁচটুকুৰা খালা আৰু —মাত্ৰ এটুকুৰা উপেনক দিলা। ফুলেনৰ তিনিখন ৰুটিৰে হ'ল ন-টুকুৰা। ফুলেনে পাঁচ টুকুৰা খালে, আৰু চাৰিটুকুৰা উপেনক দিলে। উপেনে পাঁচ টুকুৰা ৰুটিৰ বাবে পাঁচ অনা দিছিল। গতিকে — ফুলেনে চাৰি টুকুৰাৰ বাবদে চাৰি অনা, আৰু তুমি এটুকুৰাৰ বাবে এক অনাহে পাবা।"

গাঁওবুঢ়াৰ এই মকৰা-হিচাপ চাই ৰূপেনে মকমকালেও পইচা এক অনা ফুলেনক ভৰিব লগা হ'ল।



বলি

বীৰপুৰত গোবৰধন আৰু গংগাধৰ নামৰ দুজন বন্ধু আছিল। এদিন গধূলিৰ আগে আগে সিহঁত দুয়ো চুবুৰীয়া গাঁৱত বহা হাটলৈ বুলি ওলালে। ঠিক তেতিয়াই ৰিৰাট এটা মঠীয়াত গাখীৰ লৈ মানুহ এজন বন্ধুদ্বয়ৰ সমুখেদি পাৰ হৈ গ'ল :

“গাখীৰ! যাত্ৰাকালত গাখীৰৰ দৰ্শন। আমাৰ কিবা মংগল হ'ব।” গোবৰধনে ক'লে।

এইবোৰ শুভলক্ষন-অশুভলক্ষণ গোবৰধনে অনেক জানিছিল আৰু মানিছিল।

কিন্তু গংগাধৰে ক'লে, “এইবোৰ হ'ল তোমাৰ পাগলামী। হ'বলগা হ'বই। অন্ধবিশ্বাসে হোৱাক নোহোৱা কৰিব নোৱাৰে।”

দুয়ো চুবুৰীয়া গাঁও পালেগৈ। তাত এঠাইত ঢেৰ মানুহ গোট খাইছিল আৰু এজন সাধুবাবাই তাত ভাষণ দিব ধৰিছিল।

সাধুৱে তেওঁৰ ভাষণত অন্ধবিশ্বাসৰ বলি নহ'বলৈ সমবেত ৰাইজলৈ আবেদন জনাইছিল। অন্ধ বিশ্বাস যে এবিধ চূড়ান্ত মূৰ্খতা তাকো তেওঁ বুজাই .কছিল।

“আমি কিমান যে ভাগ্যৱান! ইমান ডাঙৰ তথা মহান আৰু মুক্তদৃষ্টিৰ সন্ন্যাসী এজনৰ ভাষণ শুনি ধন্য মানিছোঁ। তেওঁ প্ৰকৃততেই মুক্তিৰ কথা কৈছে।” গংগাধৰে আৰু ক'লে, “গোবৰ, এতিয়া তোমাৰ অন্ধবিশ্বাসবোৰ এৰি পেলোৱাৰ সময় হ'ল।”

“হয়, হয় হয়। তুমি ঠিকেই কৈছা। শুনা, মই তেতিয়াই কোৱা নাছিলোঁনে যে যাত্ৰাকালত গাখীৰদৰ্শন শুভলক্ষণ—আমাৰ কিবা ধৰণৰ মংগল হ'ব বুলি কোৱা নাছিলোঁনে? ঠিক কোৱা নাছিলোঁনে? সেইহে ইমান ভাল ভাষণ শুনিবলৈ পালা।” গোবৰধনে গংগাধৰৰ লাওখোলাতো পাৰেমানে গোবৰ সুমুৱাবলৈ চেষ্টা দিলে।



বেজালিৰ শিপা

বৈদ্যশাস্ত্ৰ অৰ্থাৎ চিকিৎসাশাস্ত্ৰত সুপণ্ডিত হ'ব—এয়ে আছিল শ্ৰীমুখৰ জীৱনৰ লক্ষ্য। আৰু মুখে তাৰ মুখে শ্ৰীমুখে শুনিলে যে দণ্ডকাৰণ্যৰ ওচৰতে ক'ৰবাত এখন সৰু গাঁৱত দিব্যাত্মা নামৰ প্ৰাজ্ঞ বৈদ্য এগৰাকী আছে, যিগৰাকী বৈদ্য হেনো সাক্ষাৎ ধন্বন্তৰী। তেওঁ নজনা সূক্ষ্মাতিসূক্ষ্ম তথা জটিলতম চিকিৎসা-পদ্ধতিও নাই। তেওঁ চিকিৎসাশাস্ত্ৰত হেনো প্ৰকৃততেই সৰ্বজ্ঞ।

আক-তাক নানাজনক সুধি সম্ভেদ উলিয়াই বহু কষ্ট কৰি শ্ৰীমুখ সুপণ্ডিত বৈদ্যশাস্ত্ৰী দিব্যাত্মাৰ কাষ চাপিল।

শ্ৰীমুখৰ বয়সানুপাতে তাৰ মাজত শ্ৰমৰ ইচ্ছা ধৈৰ্য্য তথা জিজ্ঞাসু মনোভাবলৈ লক্ষ্য কৰি আয়ুৰ্বেদজ্ঞ দিব্যাত্মা অত্যন্ত প্ৰীত হ'ল আৰু তেওঁৰ শিষ্য ৰূপে আদৰি লৈ চাৰি বছৰকাল ধৰি শাৰীৰবিদ্যা, ৰোগলক্ষণ আৰু তাৰ প্ৰতিকাৰ, বনৌষধিৰ গুপ্ত ৰহস্য ইত্যাদিৰ শিক্ষাদান কৰিলে।

চাৰি বৎসৰ অতিক্ৰান্ত হোৱাৰ অন্তত এদিন অধ্যক্ষ দিব্যাত্মাই শ্ৰীমুখক ক'লে, "পুত্ৰ, আয়ুৰ্বেদশাস্ত্ৰলৈ তোমাৰ শ্ৰদ্ধা, বিশ্বাস তথা ৰুচিলৈ লক্ষ্য কৰি মই অত্যন্ত প্ৰীত। অন্য অন্য ছাত্ৰে দহ বছৰতো সম্পূৰ্ণকৈ আয়ত্ত কৰিব নোৱাৰা বিদ্যা—তুমি চাৰি বছৰতে আয়ত্ত কৰিলা। তোমাৰ বিদ্যাশিক্ষা আপাততঃ সমাপ্ত হ'ল, যদিও বিদ্যাশিক্ষাৰ—বিশেষকৈ এই সতত পৰিৱৰ্তনীয় আয়ুঘটিত বিদ্যাৰ—শেষ নাই। যি কি নহওক, তুমি চিকিৎসাত

শৰৎ বৰগোহাঞি

লিপ্ত হোৱাৰ আগতে কোনোবা এগৰাকী সমৰ্থৱান বৈদ্যৰ ওচৰত কিছুদিনলৈ বাস্তৱ-শিক্ষা গ্ৰহণ কৰিবা।"

শ্ৰীমুখে যথোচিতভাবে শিক্ষাগুৰু দিব্যাত্মাৰপৰা বিদায় গ্ৰহণ কৰাৰ অন্তত প্ৰথমে গৃহলৈ, পাছত চিত্ৰপুৰ নামৰ এখন নগৰলৈ গ'ল আৰু তাত খ্যাতিমান বৈদ্য এগৰাকীক বিচাৰি ফুৰিবলৈ ধৰিলে।

এই নগৰখনত নাম-ডাক থকা বৈদ্য-শাস্ত্ৰী অৰ্থাৎ চিকিৎসক আছিল চাৰিজন। এই চাৰিজনৰ মাজত কৱিৰত্ন সদানন্দ আছিল বিৰাট খ্যাতিমন্ত চিকিৎসক। কিন্তু বহু চেষ্টা কৰিও শ্ৰীমুখে এই সদা-ব্যস্ত বৈদ্যগৰাকীৰ সৈতে কথা পাতিব নাৱাৰি হতাশ হ'ল। ৰাতিপুৱাৰপৰ প্ৰায় দুপৰ ৰাতিলৈকে এই বৈদ্যগৰাকীক ব্যাধিগ্ৰস্তই:ত আগুৰি বহি থাকে। শ্ৰীমুখে কথা পাতে কেতিয়া! অৱশেষত শ্ৰীমুখে আন তিনিগৰাকী বৈদ্যৰ সৈতে সাক্ষাৎ কৰিবলৈ দিহা ল'লে।

এই তিনি গৰাকী বৈদ্যৰ সৈতে পৃথক পৃথক ভাবে সাক্ষাৎ কৰি শ্ৰীমুখে প্ৰতি-জনকে ক'লে, "মহাশয়, যিকোনো বৈদ্যশাস্ত্ৰীয়ে শাৰীৰবিদ্যা, ৰোগলক্ষণ আৰু মুলিকা তথা বনৌষধি সম্বন্ধে জ্ঞাত হোৱা এক অতি আৱশ্যকীয় কথা।



মোৰ শিক্ষাগুৰুজনাই মোক কোনোবা এগৰাকী প্ৰকৃত বৈদ্যশাস্ত্ৰীৰ ওচৰত কিছুকাল অতিবাহিত কৰাৰ পাছত চিকিৎসক হিচাপে কাৰ্যাৰম্ভ কৰিবলৈ কৈছে। আপুনি—ক্ষমা কৰিব—যি বুজিছোঁ—বৈদ্যশাস্ত্ৰত মোতকৈ শ্ৰেষ্ঠ নহয়। গতিকে—অনুগ্ৰহ কৰি মোক বৈদ্যপ্ৰবৰ সদানন্দ কৱিৰত্নৰ সৈতে সাক্ষাতৰ বাবে বন্দবস্ত কৰি দিবনে?"

শ্ৰীমুখৰ এই অনুৰোধৰ উত্তৰত প্ৰতিগৰাকী বৈদ্যয়েই প্ৰায় একেটা কথাকে ক'লে। তেওঁলোকে ক'লে, "সেই সদানন্দ বোলা কবিৰাজৰ অদৃষ্ট অতি



সুপ্ৰসন্ন। নহ'লে প্ৰকৃতপক্ষে তেওঁৰ মাজত আনকি মোৰ সমান চিকিৎসা-জ্ঞানো নাই। তেওঁ অ'ৰ-ত'ৰ আৰু-তাৰপৰা জানি লৈহে বেমাৰীক দৰব-পাতি দিয়ে। প্ৰথমৰ ফালে তেওঁৰ এনে ছল-চন্দবোৰ ধৰিব পৰা নাছিলোঁ—তেওঁক আমি যথেষ্ট সহায় কৰিছিলোঁ। এতিয়া— আমাৰে-পৰাই জানি আমাক চেৰাই গ'ল!"

কিন্তু এওঁলোকৰ কথাত শ্ৰীমুখ পতিয়ন নগ'ল। এওঁলোকৰপৰা এই বিষয়ে সহায়তা নাপাই, শ্ৰীমুখে এটা অভিনৱ আঁচনি ল'লে। শ্ৰীমুখে নিজেই এক বিশেষ বেমাৰীৰ ভাও ধৰি কবিৰাজ সদানন্দৰ কাষ চাপিল। শ্ৰীমুখে তাৰ ৰোগৰ কথা কবিৰাজ সদানন্দক ক'লে। সদানন্দ কবিৰাজে প্ৰাথমিকভাবে পৰীক্ষা কৰাৰ অন্তত শ্ৰীমুখক চাৰিদিনৰ পাছত পুনৰ আহিবলৈ ক'লে।

চাৰিদিনৰ পাছত সদানন্দ কবিৰাজে শ্ৰীমুখক পুনৰ পৰীক্ষা-নিৰীক্ষা কৰি ক'লে, তোমাক ব্যাধিমুক্ত কৰিবলৈ তিনিটা উপায় আছে। —কোনো ঔষধপত্ৰ বিনে, কেৱল পথ্যৰদ্বাৰা—মই যেনেকৈ যি খাবলৈ ক'ম তেনেকৈ চলি থাকিলে এবছৰতে আৰোগ্য লাভ কৰিব পাৰিবা। দ্বিতীয় উপায় হ'ল—ঔষধৰ দ্বাৰা। এই ঔষধ পথ্যাদি চাৰি মাহ ধৰি খালেই ভাল হৈ উঠিবা। আৰু—তৃতীয় উপায়েৰে—তোমাৰ ব্যাধি এসপ্তাহতে গুচিব। প্ৰথম উপায়ৰ খৰচ এহেজাৰ মুদ্ৰা, দ্বিতীয় উপায়ৰ আঢ়ৈ হেজাৰ, আৰু তৃতীয় উপায়ৰ খৰচ হ'ল ছহেজাৰ মুদ্ৰা। এতিয়া —কোন উপায়েৰে তুমি চিকিৎসা কৰাবা—কোৱা।"

বিস্মিত শ্ৰীমুখে প্ৰশংসাত্মক দৃষ্টিৰে সদানন্দ কবিৰাজলৈ চালে আৰু ক'লে; "আপুনি সাধাৰণ বৈদ্য নহয়, অসাধাৰণ। এই ব্যাধিৰ নিৰাময়ৰ উপায় আজিলৈকে মাত্ৰ দুটাহে আছিল—আমাৰ অধ্যক্ষ



দিব্যাস্বাদেৰে তৃতীয় উপায় বিচাৰি আছিল। আপুনি যে তৃতীয় উপায়ো জ্ঞাত, এয়া পৰম বিস্ময়কৰ কথা!"

তেতিয়া সদানন্দ কবিৰাজে সুধিলে, "বাৰু, তুমি নিশ্চয়, আয়ুৰ্বেদজ্ঞ শিক্ষাগুৰু দিব্যাস্বাদেৰৰ ছাত্ৰ শ্ৰীমুখ। নহয় জানো? তুমি তোমাৰ ব্যাধি নিৰাময়ৰ বাবে মোৰ ওচৰ চাপিলাহি কিয়?"

তেতিয়া শ্ৰীমুখে তাৰ উপলব্ধি আৰু উদ্দেশ্যৰ কথা বিস্তাৰিত বিবৰি কোৱাৰ অন্তত সুধিলে, "আপুনি বৈদ্যশাস্ত্ৰত শিক্ষা গ্ৰহণ ক'ত কৰিছিল? এই নগৰত কেৱল আপোনাৰ ইমান নাম-ডাকৰ হেতু কি? অন্যান্য বৈদ্যৰ তুলনাত আপোনাৰ মাননীয়েইবা ইমান অধিক হোৱাৰ কাৰণ কি?"

সদানন্দ কবিৰাজে শ্ৰীমুখক নিজৰ কাহিনী যিখিনি কৈছিল—তাৰ সাৰমৰ্ম হ'ল:

সদানন্দই কদাপি আয়ুৰ্বেদ তথা বৈদ্য-শাস্ত্ৰত শিক্ষা গ্ৰহণ কৰা নাছিল। তেওঁ আছিল অন্য এগৰাকী প্ৰথিতযশা বৈদ্যৰ ঔষধ প্ৰস্তুতকাৰী সহকাৰী মাথোন। বহুদিনৰ পাছত যেতিয়া সেই প্ৰথিতযশা বৈদ্যৰাজৰ মৃত্যু হ'ল, তেতিয়া সদানন্দই বাধ্যত পৰি বেমাৰীহঁতক চিকিৎসা কৰি থাকিল। লাহে-ধীৰেকৈ হ'লেও সদানন্দৰ চিকিৎসাৰো সুনাম বিয়পি পৰিল। কিন্তু এদিন তেওঁ সেই ঠাই এৰি গুচি আহিবলৈ বাধ্য হ'ল আৰু নানান ঠাই বাগৰি বাগৰি এই চিত্ৰপুৰ পালেহি।

চিত্ৰপুৰত কোনোবা বৈদ্যৰ ওচৰত ঔষধ প্ৰস্তুতকাৰীৰ কাম বিচাৰি তেওঁ হাবাথুৰি খাই ফুৰিবলৈ ধৰিলে। তেতিয়া এগৰাকী বৈদ্যই সদানন্দক ক'লে, 'চোৰা সদানন্দ, বৈদ্যশাস্ত্ৰৰ বহু ৰহস্য মই জ্ঞাত। কিন্তু তথাপি—মই বৈদ্য হিচাপে বৰ নাম-ডাক পোৱা নাই। মোৰ সিমান আয়-উপাৰ্জন নাই, নিজৰেই চকুত



বহাবলৈ চাউল নাই। গতিকে—তোমাক ঔষধ প্ৰস্তুতকাৰী হিচাপে নিযুক্ত কৰাত মই অপাৰগ। এটা কাম তুমি কৰিব পাৰা। তুমি যদি নিজে ক'ৰবাত বৈদ্য হৈ বহি দিব পাৰা—বহা গৈ। তোমাৰ কোনো অসুবিধা হয় যদি মই আছোঁ। সাধাৰণ বেমাৰ-চেমাৰৰ চিকিৎসা তুমি নিজেই কৰিব পাৰিবা, জটিল ব্যাধিৰ ক্ষেত্ৰত—ৰোগীক পুনৰ এদিন আহিবলৈ ক'বা, আৰু তিমানতে মোৰ পৰা ব্যৱস্থাপত্ৰ লৈ যাবা, হৈ যাব। —মাত্ৰ তুমি মোৰ জৰিয়তে যিমান কোঁচাবা, কিছুখিনি মোকো দিবা, হৈ যাব'।

এই প্ৰস্তাৱ সদানন্দই মানি ল'লে আৰু তেতিয়াৰেপৰাই নানান ডাল যোৰা দি দি বৈদ্যৰাজ হৈ বহি দিলে।

নিজৰ কথা সংক্ষিপ্তভাবে কৈ, অন্তত মন্তব্য কৰিলে সদানন্দই, "শিক্ষাগুৰুৰপৰা শিক্ষাগ্ৰহণ বেলেগ কথা। একেই বিষয় শিক্ষাগুৰুৰ বাহিৰে আনৰপৰা জানিবলৈ ঢেৰ খৰচ, সেইহে মোৰ মাননীও আনতকৈ অধিক। এতিয়া মই অৱশ্যে আয়ুৰ্বেদশাস্ত্ৰত মাত মাতিব পৰা বিধৰ কবিৰাজ এজন হৈছোঁ।"

শ্ৰীমুখে ক'লে যে সি সদানন্দৰ কাম-বন কৰিবলৈ প্ৰস্তুত। কিন্তু সদানন্দই কৈ উঠিল, "নহয় নহয়—এনে কথা নক'বা। তুমি হ'লা আয়ুৰ্বেদজ্ঞ দিব্যাত্মাৰ শিষ্য, মোৰ সেৱাদাস হোৱাৰ প্ৰয়োজন নাই, তেনেকৈ লাজো নিদিবা। পিছে—এবছৰমান মোৰ লগত থাকি মোকেই নিৰ্দেশ দিবা, তাৰেই তোমাৰ, আৰু মোৰো হৈ যাব। পাছত তুমি স্বাধীন-ভাবেই মানুহ মাৰিব পাৰিবা।"

সদানন্দ কবিৰাজৰ প্ৰস্তাৱত শ্ৰীমুখ তৎক্ষণাৎ সন্মত হ'ল আৰু লগে লগে কামতো যোগ দিলে। সদানন্দৰ চিকিৎসা-পদ্ধতি চাই শ্ৰীমুখে ভালেই পালে। সদানন্দ যেতিয়া বেমাৰী চাবলৈ ওলাই

যায় কেতিয়াবা—তেতিয়া শ্ৰীমুখেও বেমাৰীইঁতক ঔষধ-পথ্যাদি নিদিয়া নহয়, দিয়ে।

এদিন সদানন্দ কবিৰাজক এজন মানুহে ক'লে, "কবিৰাজ দেউতা, আপুনি দি দৰব দিলে, বৰ কাম দিছে। প্ৰতিদিন দুসাজকৈ খোৱাৰ পাছত নিয়মমতে সেই দৰব খাই আছোঁ।"

শুনি শ্ৰীমুখে টপৰাই কৈ উঠিল, "এস্! খোৱাৰ পাছত নহয়—খোৱাৰ আগতেহে খাব লাগিব। আৰু—"

সদানন্দ কবিৰাজে শ্ৰীমুখক হাত দাঙি ৰখাই বেমাৰী মানুহজনক ক'লে, "আপুনি যেনেকৈ খাই আছে তেনেকৈয়েই ঔষধ খাই থাকক আৰু দুদিনমানৰ পাছত পুনৰ আহক।"

দুদিনৰ পাছত সদানন্দ কবিৰাজে বেমাৰী মানুহজনক একেইখিনি দৰব পুনৰ দিলে আৰু খোৱাৰ ব্যৱস্থাতহে অলপ পৰিৱৰ্তন সাধিলে মাথোন।

মানুহজন গুচি যোৱাৰ পাছত শ্ৰীমুখে সদানন্দক ক'লে, "আপুনি ঔষধৰ কোনো পৰিৱৰ্তন নকৰিলে কিন্তু খোৱাৰ ব্যৱস্থাত দেখোন পৰিৱৰ্তন কৰিলেই। তেনে-হ'লেনো সিদিনা মোৰ কথাত—"

"শ্ৰীমুখ, চিকিৎসাৰ ক্ষেত্ৰত ঔষধতকৈয়ো শ্ৰেষ্ঠ হ'ল বিশ্বাস। ঔষধে গুণ দিছিল বুলি বেমাৰী মানুহজনৰ মনত যি বিশ্বাসে শিপাইছিল, সেই বিশ্বাসৰ শিপাক মই কাটি দিয়া নাছিলোঁ। এয়ে মোৰ সমগ্ৰ জীৱনকালৰ অভিজ্ঞতাৰে আয়ত্ত কৰা চিকিৎসা-পদ্ধতি।" সদানন্দ কবিৰাজে শ্ৰীমুখক বুজাই ক'লে।

চিকিৎসাৰ ক্ষেত্ৰত ব্যাধিগ্ৰস্তৰ বিশ্বাস উৎপাদনেই যে বেজালীৰ শিপাতাকে জানি, আগলৈ শ্ৰীমুখ বৈদ্যই চিকিৎসাকাৰ্য্যত দেশত আৰু দেশৰ বাহিৰতো বিপুল খ্যাতি আৰ্জিছিল।

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯২ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব ।



M. Natarajan

M. Natarajan

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগতে মিল থাকিব লাগিব। ১৯৯১ চনৰ ডিছেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯১ চনৰ অক্টʼবাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

[অনিবাৰ্য্য কাৰণত এই সংখ্যাৰ পুৰস্কাৰ স্থগিত থাকিল ।]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 93.00 ● উৰাজাহাজ-যোগে 168.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 99.00 ● উৰাজাহাজ-যোগে 168.00

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
চাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপাপানি মাদ্ৰাজ-৬০০-০২৬

JUNIOR QUEST
NOW with the added fun of SPUTNIK Junior!
JUNIOR QUEST
Where finding out is fun
incorporating
Sputnik Junior
Selections from Sputnik Junior!.
* Colourfully illustrated stories and cartoons.
* Superb science fiction
* Entertainment and general knowledge
64 packed pages!
At just Rs. 6/-
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies,
Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A Chandamama Vijaya Combines publication

CHANDAMAMA (Assamese) December 1991 Regd. No. TN/MS (S)/87